চান্দমামা

মে' ১৯৮৬



“সপাইদাৰমেন হৈ যোৱাৰ পাছত আকৌ এবাৰ ৰসনা খাম!”

কিয়ে কমলা-কমলা গোন্ধ!

ৰসনা
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা
চফ্‌ট ড্ৰিংক কনচেনট্ৰেট

Mudra:A:PI:2952 ASM

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफ़ेदी की चमकार
RIN
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্থান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 97 2016 AS

চান্দমামা

মে' ১৯৮৬

এই সংখ্যাত আছে

সুবুদ্ধিৰ পৰীক্ষা	:	১১	ঘিণালে বিনাবা	:	৩৯
সংগীতৰ সাৰ কথা	:	১৬	শিৰ-পুৰাণ	:	৪৩
কাঁহৰ কিল্লা	:	১৯	সমস্যাৰ সৰু-বৰ	:	৪৯
চোৰক ধৰে মান	:	২৭	অগিয়ান টলকা	:	৫১
হিচাপ-পৰীক্ষা	:	৩২	নিঃকিনৰ দান	:	৫৬
আমাৰ দ'ল-দেৱালয়	:	৩৫	মনে-পতা ৰজা	:	৫৯

লগতে

অমৰবাণী, চান্দমামাৰ খুতুৰা-খবৰ, অলম্বুষ', পশু-পক্ষী-কথা ইত্যাদি।

everest/85/PP/334

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক। দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।

আপোন কৰি লওক ক'লগেটৰ সুৰক্ষা চক্ৰ!

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে
আপোনাৰ পৰিয়ালক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস-প্ৰশ্বাস।
সেইটোৱেই হ'ল ক'লগেটৰ সুৰক্ষা চক্ৰ।

প্ৰতিবাৰেই আপুনি দাঁত ঘহোঁতে ক'লগেটৰ নিৰ্ভৰযোগ্য ফৰমূলাই এনেদৰে ক্ৰিয়া কৰে:



নিশ্বাসৰ দুৰ্গন্ধ আৰু দাঁতৰ ক্ষয়ৰোগ সৃষ্টি হয় দাঁতৰ ফাকত লাগি থকা খাদ্যৰ টুকুৰাবোৰৰ পৰা।



ক'লগেটৰ অদ্বিতীয় সক্ৰিয় ফেনবোৰ দাঁতৰ ফাকবোৰলৈকে সোমাই গৈ এই দুৰ্গন্ধ সৃষ্টিকাৰী খাদ্যৰ টুকুৰাবোৰ আঁতৰাই আৰু ক্ষয় ৰোগৰ সৃষ্টিকাৰী বীজাণু দূৰ কৰে।



ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে আপোনাক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস প্ৰশ্বাস।

আপোনাৰ পৰিয়ালৰ সকলোৱেই যাতে প্ৰতিবাৰেই খোৱাৰ পিচত ক'লগেটেৰে দাঁত ঘহেঁ সেইবিষয়ে নিশ্চিন্ত হওক।
নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক,
দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।
আপোন কৰি লওক
ক'লগেটৰ সুৰক্ষা চক্ৰ।

84-55 Asm

আপুনি মুগ্ধ হ'ব এই মিন্টি সোৱাদত!

চান্দমামা

সংস্থাপক : চক্ৰপাণি

সঞ্চালক : বি নাগিৰেড্ডি

ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰাৰ নিয়ম : প্ৰত্যেক প্ৰতিযোগীয়ে নিজে লিখি প্ৰতিযোগিতালৈ যোগদান কৰা ভাল। বয়সৰ উল্লেখ অৱশ্যেই কৰিব লাগিব। এজন প্ৰতিযোগিয়ে একাধিক প'স্টকাৰ্ড নপঠাব। খাম, বা ইনলেণ্ডত প্ৰতিযোগিতাৰ বিষয় লিখি পঠালে বাতিল বুলি গণ্য কৰা হ'ব। কেৱল প'স্টকাৰ্ডৰ যোগেদিহে প্ৰতিযোগিতালৈ যোগদান কৰিব পাৰি। এই বিষয়ে ব্যক্তিগত পত্ৰালাপ কৰা নহয়।

অমৰ-বাণী

শ্ৰোতব্য মুক্তমন্থেন শ্ৰুত্বা সম্য খিচাৰয়েৎ।
বিচাৰৈনৈব কৰ্তব্যঃ সত্যাসত্য বিনিৰ্ণিয়ঃ॥

[কোনোবাই যিকোনো বিষয়ত কিবা ক'লে সেই বিষয়টো সম্পূৰ্ণকৈ শুনা উচিত আৰু তাৰ পাছত ভালকৈ চিন্তা কৰি তাৰ সত্যাসত্য নিৰ্ণয় কৰা উচিত।]

বছৰ : ১১ মে' ১৯৮৬ সংখ্যা : ২

খনে : ২'৫০ টকা : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ



মংগল-যাত্ৰা

বিছ বছৰ আগতে ভাৰ্ণহাৰ ভানব্ৰান নামৰ এগৰাকী বিশেষজ্ঞই ঘোষণা কৰিছিল যে ১৯৮৪ চনত মানুহ মংগলগ্ৰহলৈ গৈ উভতি আহিব পাৰিব। তেওঁৰ এই অভিমত কাৰ্য্যকৰী হোৱা নাই। পিছে—আমেৰিকাৰ নেশ্বনেল এৰ'ন'টিক্স এণ্ড স্পেছ এডমিনিস্টে শ্বন (নাছা) নামৰ সম্থাই ১৯৯০ চনৰ ভিতৰত মংগলগ্ৰহলৈ মানুহ বিহীন উপগ্ৰহ প্ৰেৰণ কৰিবলৈ প্ৰস্তুতি চলাইছে।

প্ৰাচীন ভাৰতত আকুপাংচাৰ



বেজি বিন্ধাই চিকিৎসাৰ পদ্ধতিক আকুপাংচাৰ বুলি কোৱা হয়। এলাহাবাদৰ ইণ্ডিয়ান আকুপাংচাৰ ছেণ্টাৰৰ ডিৰেক্টৰ ডাঃ পি কে সিংদেৱে কৈছে যে এই চিকিৎসা-পদ্ধতি প্ৰাচীন ভাৰততো আছিল। তেওঁ কয় যে 'ভীষ্মই ৫৮ দিন ধৰি শৰশয্যাত থাকি স্বেচ্ছামৃত্যু বৰণ কৰাটো' দৰাচলতে এক আকুপাংচাৰীয় ঘটনা !

টুথ:পেষ্ট ভক্ষণ

জাহাজৰপৰা পৰি যোৱা আমেৰিকাৰ ২৭ বছৰীয়া এগৰাকী মহিলাই ইন্দোনেছিয়াৰ সাগৰত একেৰাহে একৈছ দিন ধৰি অকণ অকণকৈ টুথপেষ্ট খাই জীয়াই থকাৰ বাতৰি পোৱা হৈছে। মহিলাগৰাকীৰ নাম জুডি স্বাৰ্টছ।

জানিবলগীয়া

১। মানুহৰ দেহস্থ নাড়ীৰ গতি এমিনিটত কিমানবাৰ ?

২। অস্ত্ৰোপচাৰ কৰি হাৰ্ট পৰিবৰ্ত্তন পোনপ্ৰথমে কোন চনত কৰা হৈছিল ?

৩। এজন মানুহৰ মগজুৰ পৰিমাণ কিমান ?

৪। তেজৰ লোহিত কণিকাসমূহ সাধাৰণতঃ কিমান দিনলৈ সজীৱ থাকে ?

৫। আলেকজেণ্ডাৰ ফ্লে'মিং কিহৰ কাৰণে বিখ্যাত ?

[উত্তৰ : ৬৫নং পৃষ্ঠাত]

অলম্বুষা

ইন্দ্ৰৰ ৰাজসভাৰ অন্যতম অপ্সৰী আছিল অলম্বুষা। এদিন অলম্বুষাই গন্ধৰ্ব বিধূমৰ সৈতে কথা পাতি থাকোঁতে দেৱৰাজ ইন্দ্ৰই আঁৰৰপৰা এই দৃশ্য দেখা পালে। ইন্দ্ৰই ক্ৰুদ্ধ হৈ অভিশাপ দিলে, "তোমালোকে ভূলোকত জন্ম গ্ৰহণ কৰি স্বামী-স্ত্ৰী ৰূপে থাকাঁগৈ।"

এই অভিশাপ অনুসাৰে বিধূম হ'লগৈ কৌশাম্বীৰ যুৱৰাজ, সহস্ৰানিক, আৰু অলম্বুষাৰ নাম হ'ল মৃগৱতী। ঘটনাচক্ৰত সিহঁত দুজনৰ বিয়াৰ ব্যৱস্থা হ'ল। ঠিক তেতিয়াই দেৱতা আৰু দানৱইতৰ মাজত যুদ্ধ লাগি পৰিল। তেতিয়া ইন্দ্ৰ সহস্ৰানিকৰ সহায়প্ৰাৰ্থী হ'ল। ইন্দ্ৰৰ অনুৰোধত; সহস্ৰানিকে দেৱতাৰ হৈ যুদ্ধ কৰি, দানৱইতক পৰাজিত কৰি, পুনৰ ভূলোকলৈ ওচি আহিল। ভূলোকলৈ আহোঁতে ইন্দ্ৰই সহস্ৰানিকৰ লগৰীৰূপে তিলোত্তমাক পঠালে। তিলোত্তমাই সহস্ৰানিকক কিছুমান কথা সোধাত সহস্ৰানিকে উত্তৰ নিদিয়া হ'ল মৃগৱতীৰ কথা সুঁৱৰি। বেয়া পাই তিলোত্তমাই অভিশাপ দি ক'লে, "যিজনীৰ কথা সুঁৱৰি তুমি মোৰ কথাৰ উত্তৰ নিদিলা, তাইক চৈধ্য বছৰলৈকে নোপোৱা। এই যাতনা চতুৰ্দশ বছৰলৈ ভুঞ্জিব লাগিব।"

সহস্ৰানিকে মৃগৱতীক বিবাহ কৰালে। বিয়াৰ পাছত মৃগৱতী গৰ্ভৱতী হ'ল। গৰ্ভৱতী অৱস্থাত তাই স্বামীক ক'লে, "ৰঙা পুখুৰীত স্নান কৰাৰ বৰ মন মোৰ।"

ৰঙা পুখুৰীত স্নান কৰোঁতে হঠাৎ কোনোবা এটাই মৃগৱতীক দাঙি লৈ গ'ল আৰু তাইক পৰ্বতৰ এক শিখৰত পেলাই থ'লে।

পাছত মুনিপুত্ৰ এগৰাকীয়ে মৃগৱতীক জমদগ্নিৰ আশ্ৰমলৈ লৈ গ'ল। তাত মৃগৱতীৰ গৰ্ভৰপৰা পুত্ৰ উপজিল। তাৰ নাম উদয়ন।

চৈধ্য বছৰৰ অন্তত উদয়নে সাপধৰা মানুহ এজনক এটা সাপ ধৰা দেখি সাপটোৱে মানুহটো হাতৰপৰা মুক্তি পাবলৈ আপ্ৰাণ চেষ্টা কৰি থাকিল। উদয়নে এই দৃশ্য দেখি সাপধৰা মানুহজনক সোণৰ খাৰু এপাট দিলে আৰু সাপটোক এৰি দিবলৈ ক'লে। সেই সোণৰ খাৰুপাট বেচিবলৈ কৌশাম্বী নগৰলৈ গৈ, সাপধৰা মানুহটোক ৰজাৰ প্ৰহৰীৰ হাতত ধৰা পৰিল। অৱশেষত সাপধৰা মানুহটোক সহস্ৰানিকে জমদগ্নিৰ আশ্ৰমলৈ লৈ গ'ল আৰু তাৰপৰা তেওঁৰ পত্নী আৰু পুত্ৰক লৈ আহিল।



সুবুদ্ধিৰ পৰীক্ষা

অৱশেষত জমিদাৰ বীৰভদ্ৰ এজনী ছোৱালীৰ বাপেক হ'ল। বহুকাল ধৰি তেওঁৰ এটি সন্তানলৈ বাট চাই আছিল, এতিয়া সেই চোৱাৰ চুৰনিত ৰ'দ উঠিল। জমিদাৰে ছোৱালীজনীৰ নাম দিলে— নৱনীতা। নৱনীতা ডাঙৰজনী হ'ল, পঢ়াশলীয়া হ'ল। তাই লিখা পঢ়াত আছিল ভাল, আৰু অন্যান্য বিধোবিধ গুণো আছিল তাইৰ। কিন্তু তথাপি জমিদাৰ বীৰভদ্ৰৰ মনত শান্তি নাছিল; কিয়নো, নৱনীতা আছিল বৰ আমঠ।

চাওঁতে চাওঁতে তাইৰ বিয়াৰ বয়স হ'ল, আৰু বীৰভদ্ৰয়ো দৰা বিচৰাত ধৰিলে। মিলিলো দৰা; কিন্তু নৱনীতাৰহে মন-মতি নিমিলা হ'ল, তাইৰ পচন্দ নহ'য় যে নহয়েই। নৱনীতাই তাইৰ দেউতাকক ক'লে "চোৱাঁ, দেউতা, যিহঁতে মোক বিয়া কৰাবলৈ গাত লৈছে, সিহঁতৰ প্ৰত্যেকৰ চকু আচলতে তোমাৰ ধন-সম্পদৰ ওপৰতহে; যিহেতু, মই তোমাৰ একমাত্ৰ সন্তান।"

"কিন্তু—তুমি যে কাক তোমাৰ জীৱন-লগৰী হিচাপে বাছি ল'বা—মই একদম বুজা নাই।" জমিদাৰে জীয়েকৰ কথাত আমনি পাই ক'লে।

"মই কোনোবা সত্যবাদী আৰু বুদ্ধিমান যুৱকক বিয়া কৰাম।"

"কিন্তু সত্যবাদী আৰু বুদ্ধিমান কোন—কেনেকৈ সেই কথাৰ পৰীক্ষা লোৱা হ'ব?"

"সেই বিষয়ে তুমি চিন্তা নকৰিবা। মই পাত্ৰৰ লগত বিভিন্নভাৱে কথা পাতি



কথাই কথাই কথা পিন্ধাই তাৰ পৰীক্ষা ল'ম।" নৰনীতাই আশ্বস্ত কৰিলে।

এনেতে বীৰভদ্ৰৰ ওচৰলৈ সুবুদ্ধি নামৰ এজন যুৱক চাকৰি বিচাৰি আহিল। সুবুদ্ধিও আছিল এগৰাকী নিঃস্ব জমিদাৰৰ ল'ৰা। তাৰ কহন-ৰহণলৈ চাই, ভাল পাই, বীৰভদ্ৰই তাক চাকৰিত ল'লে।

চাকৰিত মকৰল কৰাৰ পাছৰেপৰাই নৰনীতাই সুবুদ্ধিৰ চলন-ফুৰণ কাম বন ইত্যাদিৰ ওপৰত প্ৰখৰ দৃষ্টি ৰাখিছিল। জমিদাৰৰ আন এজন কৰ্মচাৰী আছিল, তাৰ নাম সুকেতু। সুকেতুৱে হিচাপৰ হেৰ-ফেৰ দেখুৱাই যে টকা পইচা সৰকায়, জমিদাৰ আৰু নৰনীতায়ো জানিছিল।

এদিন জমিদাৰ আৰু সুবুদ্ধি এঠাইলৈ গ'ল। তালৈ যাওঁতে গাড়ীৰ ব্যৱস্থা নাছিল, কিয়নো সেই ঠাইলৈ যোৱাৰ বাট-পথ বৰ ঠেক আৰু গাড়ী চলাচলৰ অনুপযুক্ত। গতিকে—খোজ কাঢ়ি যোৱাৰ বাহিৰে উপায় নাছিল। ওলোৱাৰ আগে আগে নৰনীতাই এটা পাত্ৰত জলপান অলপ ভৰাই দি ক'লে, "এইখিনিক আদিযাত্ৰীৰ দৰে, ক্লান্তিহীন পৰিক্ৰমাকাৰীৰ দৰে ভগাই প্ৰতিজনে খাব লাগিব।"

জমিদাৰে কিন্তু তেওঁৰ ছোৱালীৰ কথা একোৰেই ঠাৰৰ কৰিব নোৱাৰিলে। তেওঁ ভাবিলে যে নৰনীতাই তেওঁক আধাখিনি আৰু সুকেতুকো আধাখিনি জলপান খাবলৈ কৈছে। কিন্তু সুবুদ্ধিয়ে ক'লে, "আপোনাৰ কন্যাই 'আদিযাত্ৰী' বোলোঁতে সূৰ্য্য আৰু চন্দ্ৰক, আৰু 'ক্লান্তিহীন পৰিক্ৰমা' মানে আপোনাক গল্প কৰি কৰি খোজ কাঢ়িবলৈ কৈছে।"

সুবুদ্ধিৰ বিশ্লেষণ শুনি নৰনীতাই বৰ ভাল পালে।

আন এদিন মৌ আৰু সুগন্ধি দ্ৰব্য সংগ্ৰহ কৰিবলৈ সুবুদ্ধিক অৰণ্যৰ অধিবাসীইঁতৰ ওচৰলৈ যাবলৈ কোৱা

হ'ল। ওলাওঁতে নৰনীতাই এখন ডেগাৰ সুবুদ্ধিৰ হাতত দি ক'লে, "এই ডেগাৰখন আৰু এটা ঘোঁৰা লগত লৈ যাব; কিয়নো অকলশৰে বনলৈ যাবলৈ ওলাইছে।"

নৰনীতাৰ দেউতাকে এই কথাৰ আগ-গুৰি একো নুবুজিলে। এই বন-পথ আছিল ঘোঁৰাৰ পিঠিত উঠি যোৱাৰ অনুপযুক্ত। গতিকে—জমিদাৰে ভেবা লাগি সুবুদ্ধিলৈ চালে।

তেতিয়া সুবুদ্ধিয়ে ক'লে, "এই ডেগাৰ-খন মোৰ হাতত দি আপোনাৰ কন্যাই মোক এই কথা ক'লে যে গভীৰ অৰণ্যত সোমোৱাৰ আগতে মই ডেগাৰখনেৰে এটা ঠাল কাটি লৈ লাঠি হিচাপে ব্যৱহাৰ কৰোঁ যেন। এই লাঠিডালেই হ'ল—ঘোঁৰাৰ প্ৰতীক।"

কিছুদিনৰ অন্তত জমিদাৰৰ অন্য কৰ্মচাৰী সুকেতুৱে তাৰ ভনীয়েকৰ বিয়া ধুমধামেৰে পাতিলে। এই বিয়া খাবলৈ সুকেতুৱে জমিদাৰ, নৰনীতা, আৰু সুবুদ্ধিকো নিমন্ত্ৰণ কৰিছিল।

নৰনীতাই সুকেতুক ক'লে, "ভনীয়েৰাৰ বিয়াৰ আয়োজন চাই ভালেই পাইছোঁ। পিছে আপোনাৰ ঘৰটোৰ ভেটি শকতনে?"

সুকেতুৱে ক'লে, "মোৰ ঘৰ হ'ল পঁজাঘৰ। পঁজাঘৰৰনো আক' ভেটি কিহৰ?"

তাত তেতিয়া সুবুদ্ধি নাছিল। নৰনীতাই তাইৰ দেউতাকক ক'লে, "মই সুকেতুক তাৰ আৰ্থিক অৱস্থা সম্বন্ধে প্ৰশ্ন কৰিছিলোঁ। কিন্তু কোনো সদুত্তৰ নাপালোঁ। মই সুবুদ্ধিৰ যোগেদি তাৰ পেটৰ কথা উলিয়াম। এই বিষয়ত মই এটা কৌশল অৱলম্বন কৰিম।"

এসপ্তাহৰ পাছত খেতি-বাতিৰ খা-খবৰ ল'বলৈ সুবুদ্ধিকো পঠোৱা হ'ল। সুবুদ্ধিৰ দুপৰীয়াৰ খোৱাবস্তুখিনি এটা পাত্ৰত ভৰাই, বান্ধি, সুকেতুৰ হাতত দি নৰনীতাই ক'লে, "চালৰ ওপৰত পূৰ্ণিমাৰ জোন আছে, তলত আছে আধা ধান।

দেশত এতিয়া চোৰৰ ভয় আছে ; কিন্তু চাৰিওফালে সতৰ্ক দৃষ্টি দিলে চোৰ ধৰিব পাৰি।" মোৰ এই কথাখিনি সুবুদ্ধিক ক'বগৈ, আৰু সুবুদ্ধিয়ে কি কয় তাকো মোক ক'বহি।"

সুকেতু খোৱাবস্তু লৈ গ'ল খেতি-পথাৰলৈ। বাটত সি ভাবিলে ঃ সুবুদ্ধিৰ প্ৰতি নৰনীতাৰ প্ৰখৰ দৃষ্টি। সুবুদ্ধি গ'ল খেতি-বাতি চাবলৈ, আৰু নৰনীতাই পঠালে খোৱাবস্তু। কি খোৱাবস্তু পঠালে চাৱঁইচোন। ভাল পালে অলপ চাকিও চাব পাৰোঁ।

সুকেতুৱে খোৱাবস্তুৰ টোপোলাটো খুলি, খোৱাবস্তুবিলাকৰপৰা অলপ, অলপকৈ খাই, পুনৰ টোপোলাটো বান্ধি কুন্ধি সুবুদ্ধিক দিলেগৈ। সুবুদ্ধিয়ে টোপোলাটো খুলি থাকোঁতে নৰনীতাই কোৱা কথাবোৰ সুকেতুৱে সুবুদ্ধিক কৈ থাকিল। তেতিয়া জমিদাৰ বীৰভদ্ৰো তাতে আছিল। কিন্তু নৰনীতাৰ কথাৰ অৰ্থ তেওঁ ধৰিব নোৱাৰিলে।

সুবুদ্ধিয়ে খোৱাবস্তুৰ পত্ৰবোৰ ভালকৈ পৰীক্ষা কৰি সুকেতুক ক'লে, "নৰনীতাই তোমাৰ যোগেদি মোক কিছুমান ৰহস্য-জনক কথা কৈছে। তুমি যে সৎ নহয়, তুমি যে সুবিধা পালেই চুৰি কৰা, সেই কথা পুনৰ প্ৰমাণিত হ'ল। তুমি খোৱা-বস্তুখিনি অলপ অলপকৈ চুৰ কৰি খালা। ইমান সৰুসুৰা বিষয়তো যেতিয়া তুমি চুৰি-তাৰি নকৰি নোৱাৰা, তেতিয়া জমিদাৰ ডাঙৰীয়াৰ চিৰস্তাত, অৰ্থাৎ দফতৰত তুমি বাৰু চুৰি নকৰানে কি?"

এইবোৰ কথা শুনি সুকেতু হতবাক হ'ল; কিন্তু সি সুবুদ্ধিৰ কথা সুবুজাৰ ভাও জুৰিলে। তাৰ ভাৱ-ভংগীলৈ লক্ষ্য কৰি সুবুদ্ধিয়ে তাক ক'লে, "চালৰ ওপৰত পূৰ্ণিমাৰ জোনৰ অৰ্থ হ'ল—আটাইতকৈ ওপৰত থকা খোৱাবস্তুৰ পাত্ৰটোত দৈ আছে। আৰু তলত আধা-ধান থকাৰ

অৰ্থ হ'ল আটাইতকৈ তলৰ পাত্ৰটোত ছটা পিঠা আছে। কিন্তু তাৰপৰা তুমি এটা পিঠা খালা। আৰু—চাৰিওফালে সতৰ্ক দৃষ্টিৰ অৰ্থ হ'ল এয়ে যে—খোৱাবস্তুৰ পাত্ৰবোৰ ভালকৈ পৰীক্ষা কৰি চালে চোৰ ধৰা পৰিব। গতিকে—তোমাৰ চুৰি কেনেকৈ ধৰা পৰিল—এতিয়া চাগৈ বুজিছা।" সুবুদ্ধিয়ে সুকেতুক ক'লে।

সুবুদ্ধিৰ কথা শুনি সুকেতুৱে ভয়তে কঁপি থাকিল। সুকেতু যে এটা বৰীয়া অঁকা চোৰ—সেই কথাটো বুজিবলৈ জমিদাৰ বীৰভদ্ৰৰ আৰু বাকী নাথাকিল। জমিদাৰে ক্ৰুদ্ধ কণ্ঠেৰে সুকেতুক ক'লে, "তুমি যদি স্বীকাৰ কৰাঁ—ভালেই ; যদি স্বীকাৰ নকৰা, তেনেহ'লে তোমাক কঠিন শাস্তি দিয়া হ'ব।"

কঠিন শাস্তি যে কি—সুকেতুৱে ভালকৈ জানিছিল। সি জমিদাৰৰ ভৰিত ধৰি ক্ষমা প্ৰাৰ্থনা কৰি তেওঁক ক'লে, "মোৰ নিৰ্বুদ্ধিতাৰ বাবে মই আপোনাৰ টকা-পইচা কিছুখিনি চুৰি কৰিলোঁ। যিখিনি খৰচ কৰিলোঁ, সেইখিনি আৰু পৰিশোধ কৰিব নোৱাৰিম। কিন্তু যিখিনি এতিয়াও আছে, কালিলৈ আপোনাক ঘূৰাই দিম।"

জমিদাৰে সুকেতুৰ কথাত ভাল পাই তাক ক্ষমা কৰিলে। তাৰ পাছত, ঘৰলৈ উভতি গৈ জমিদাৰে তেওঁৰ ছোৱালী নৰনীতাক সকলো কথা সবিস্তাৰে ক'লে। তাৰ পাছত তেওঁ পুনৰ ক'লে, "তুমি—সৎ আৰু বুদ্ধিমান কোনোবাজনক বিয়া কৰাবা বুলি কৈছিলা। সুবুদ্ধি কিন্তু সৎ, আৰু সি বুদ্ধিমানো।"

নৰনীতাই তলমূৰ হৈ ক'লে, "মোৰো মত একেই, দেউতা।"

জমিদাৰ বীৰভদ্ৰই এমাহৰ ভিতৰত সুবুদ্ধিৰ সৈতে নৰনীতাৰ বিয়াখন ধুমধামেৰে পাতিছিল।



সংগীতৰ সাৰকথা

শিলাগিৰি দেশৰ ৰজাৰ ৰাজসভাত কেৱল কবি, আৰু পণ্ডিত লোকসকল আছিল। কিন্তু এদিন ৰজাই ভাবিলে তেওঁৰ সভাত সুগায়ক তথা সংগীতবিদো থকা উচিত। ৰজাই কথাটো তেওঁৰ মহামন্ত্ৰীক ক'লে আৰু সুগায়ক বাছি উলিয়াবলৈ নিৰ্দেশ দিলে।

মন্ত্ৰীয়ে ক'লে, "সুগায়ক বিচাৰি উলিউৱাৰ বিষয়ত আপোনাৰ নিৰ্দেশ কাৰ্য্যকৰী কৰিবলৈ হ'লে এগৰাকী বিচাৰকৰ প্ৰয়োজন আছে, মহাৰাজ!"

"কোনেনো বিচাৰ কৰিব? মই, ৰাণী, আৰু আপুনি। আমি সংগীত বুজি নাপাওঁনে কি? আন কোনোবা সংগীত-বিশাৰদক মতাই অনোৱাৰ আৱশ্যক আছে বুলি মই নাভাবোঁ।" ৰজাই ক'লে।

আৰু তাৰ পাছত মন্ত্ৰী মহোদয়ে ৰাজসভাৰ বাবে যোগ্য গায়ক লাগিব বুলি সমগ্ৰ দেশত ঘোষণা কৰি দিলে।

নিৰ্দিষ্ট দিনত সমগ্ৰ দেশৰপৰা গায়ক-সকল ঢপলিয়াই আহিল। তিনিদিন ধৰি গায়কসকলৰ মাজত বিষম প্ৰতি-যোগিতা চলি থাকিল। এই প্ৰতি-যোগিতাৰপৰা ৰজাই বাছি ল'লে সংগীতজ্ঞ মুকুলীনাথক, ৰাণীৰ বাছনিত উঠিল বেণুধৰ আৰু মন্ত্ৰীৰ বাছনিত যিজন উঠিল তেওঁৰ নাম সুসংগীত।

ৰজাই মুকুলীনাথৰ গুণাগুণৰ সম্বন্ধে ক'লে. "মুকুলীনাথে যিমান সময় ধৰি গাইছিল, মোৰ মনত আন কোনো চিন্তাই ঠাই পোৱা নাছিল। সিহঁতে মোৰ মন জয় কৰিব পৰা নাই. মই

নৰোত্তম দাস

সিমান আনন্দ অনুভৱ কৰা নাই।"

ৰজাৰ কথা শুনি ৰাণীয়ে ক'লে, "মুকুলীনাথেও ভালেই গাইছিল ; পিছে মহামন্ত্ৰীয়ে বাছি লোৱা সুসংগীতৰ সংগীতো মনোমোহা বুলি মোৰ ধাৰণা। কিন্তু তাৰ প্ৰকাশ ভাল নহয়। এই সকলোবোৰ কথা ভাবিহে মই বেণুধৰক ৰাজ-গায়কৰ যোগ্যৱান বুলি ভাবিছোঁ।"

ৰজাই সুধিল, "মহামন্ত্ৰী, সুসংগীতৰ শ্ৰেষ্ঠত্ব কিহত বুজাই ক'বনে আমাক ?"

মহামন্ত্ৰীয়ে সবিনয়ে ক'লে, "মহাৰাজ, শাস্ত্ৰীয় শুদ্ধ সংগীতৰ ক্ষেত্ৰত সুসংগীতৰ অসাধাৰণ জ্ঞানৰ পৰিচয় মই পাইছোঁ। আৰু, তেওঁৰ কেৱল জ্ঞানেই নহয়, সেই সংগীতিক জ্ঞান প্ৰকাশ কৰাৰো গভীৰ ক্ষমতা বিদ্যমান। এই মত কেৱল মোৰেই মত নহয় মহাৰাজ, আন বহুতো সংগীত-বিদৰ মতো এয়ে।"

এই কথা শুনি আৰু ৰাণীয়ে অবাক হৈ ক'লে, "সংগীতৰ বিষয়ত আমাৰ মতেই সৰ্বাধিক গুৰুত্ব পাব বুলি স্থিৰীকৃত আছিল। আপুনি অন্যান্য লোকৰ মতামত কেতিয়া সংগ্ৰহ কৰিলে ?"

এই প্ৰশ্নৰ উত্তৰত মহামন্ত্ৰীয়ে ক'লে, "প্ৰতিযোগী সকলে সংগীত পৰিবেশন কৰোঁতে আপোনালোকে শ্ৰোতাসকললৈ মন কৰিছিলনে ? বিভিন্ন গায়কৰ ক্ষেত্ৰত শ্ৰোতাসকলৰ একাগ্ৰতা, আৰু অন্য-

মনস্কতালৈ মন কৰিছিলনে?"

ৰজাই ক'লে, "মুকুলীনাথে যেতিয়া সংগীত পৰিবেশন কৰি আছিল, তেতিয়া মই আন কোনোফালে মনেই কৰিব পৰা নাছিলোঁ। মই তেওঁৰ গান শুনি ইমানেই বিভোৰ হৈ পৰিছিলোঁ, তেওঁৰ সংগীতৰ মূৰ্চ্ছনা আছিল ইমানেই প্ৰবল।"

মহামন্ত্ৰীয়ে ক'লে, "ৰাজসভাত সংগীত পৰিবেশন কৰি সকলোকে হতবাক কৰিব পৰা কোনোবা গায়কক আমি নিৰ্বাচন কৰা উচিত। সেই নিৰ্বাচিত গায়কৰ গান শুনি দেশৰ জনসাধাৰণ যদি মুগ্ধ হয়, তেতিয়া আমাৰ নিৰ্বাচন সাৰ্থক হোৱা বুলি ভাবি লোৱাৰ থল ওলাব।"

ৰজাই তৎক্ষণাৎ কৈ উঠিল, "ওঁ, মোৰো মত সঠিকভাৱে এয়ে।"

"তেনেহ'লে—এই তিনিগৰাকী গায়কে গান গাই থাকোঁতে ৰাজসভাৰ শ্ৰোতা-বৰ্গৰ মাজত কোনে কি কৰিছিল, তাৰ বিৱৰণ দিওঁ মই, অনুগ্ৰহ কৰি মনোযোগেৰে শুনিব।

"মুকুলীনাথে যেতিয়া গান গাই আছিল, তেতিয়া সংগীতবিদ পণ্ডিতবৰ্গ ই ইজনৰ পাছত সিজনকৈ ৰাজসভাৰপৰা ওলাই গৈছিল; কিন্তু সাধাৰণ ৰাইজ মুগ্ধ হৈ বহি আছিল।

"বেণুধৰে সংগীত পৰিবেশন কৰি থাকোঁতে প্ৰজাবৰ্গ দলে দলে ওলাই গুচি গ'ল, কিন্তু পণ্ডিতবৰ্গ ই একাগ্ৰচিত্তেৰে বেণুধৰৰ সংগীত শুনি আছিল।

"আৰু সুসংগীতৰ সংগীত সাধাৰণ ৰাইজ আৰু পণ্ডিতবৰ্গয়ো সমভাৱে উপভোগ কৰিছিল।"

এই বুলি কোৱাৰ পাছত মহামন্ত্ৰী ৰ'ল।

তেতিয়া সমগ্ৰ বিষয়টো অনুধাৱন কৰি ৰজা আৰু ৰাণীয়ে আলোচনা কৰি একমত হৈ সুসংগীতকে শ্ৰেষ্ঠ তথা ৰাজ-গায়ক হিচাপে মানি ল'লে।



কাঁহৰ কিল্লা

১৭

বীৰ ধীৰমল্লই সৰ্পকেতুক আক্ৰমণ কৰিবলৈ গৈ নিজেই আক্ৰান্ত হোৱাৰ অৱস্থাত পৰিল। ধীৰমল্লই কটকীৰ যোগেদি এখন পত্ৰ লিখি তেওঁৰ এই 'ওপৰে শিল তলে কিল' অৱস্থাৰ কথা জনাই পত্ৰ প্ৰেৰণ কৰিলে সুবাহুলৈ। সুবাহুৱে পত্ৰখন চন্দ্ৰবৰ্মাক পঢ়িবলৈ দিলে আৰু ক'লে যে ধীৰমল্লক খেদা দি সৰ্পকেতু যদি শিৱপুৰ পায়হি, তেনেহ'লে কথা বিষমেই হ'ব। সুবাহুৱে সসৈন্যে ধীৰমল্লৰ সাহায্যাৰ্থে যাত্ৰা কৰাৰ যো-জা কৰি থাকিল। আৰু তাৰ পাছত······

এনে পৰিস্থিতিত সুবাহুৰ পৰামৰ্শ গ্ৰহণ-যোগ্য বুলি বোধ হ'ল চন্দ্ৰবৰ্মাৰ মনত। আৰু অতি কম সময়ৰ ভিতৰত ৰাজধানীৰ সকলো সৈন্যক গোট খুউৱা হ'ল। আৰু অলপ পাছত শিৱপুৰীয়া সৈন্য-বাহিনী উত্তৰদিশলৈ বুলি আগবাঢ়ি গৈ থাকিল।

তেতিয়ালৈকো পুবে ধলফাট দিবলৈ ৰাতি দুই প্ৰহৰ আছিল। এনেতে, পাহাৰৰ সিপাৰৰপৰা অশ্বাৰোহী সৈন্য আগুৱাই অহাৰ শব্দ উঠিল। আগবাঢ়ি

মৃত্যুক বৰণ কৰিলে। স্বয়ং ধীৰমল্লদেৱে তেওঁৰ নিজস্ব অশ্বাৰোহী বাহিনী লৈ মৰণপণ যুদ্ধ দি আছে সৰ্পকেতুৰ বিৰুদ্ধে, আৰু তেওঁ ৰাজধানীলৈ আগুৱাই আহিব ধৰিছে।"

চন্দ্ৰবৰ্মাই সিহঁতৰ কথা মনপুতি শুনি আছিল; কিন্তু ঠিক তেতিয়া আন কিছুমান অশ্বাৰোহীকো সেইপোনে চপলিয়াই অহা দেখা গ'ল। অলপ আঁতৰৰপৰা ধীৰমল্লই সুবাহুক চিঞৰি ক'লে, "সুবাহু, এতিয়া যেনেতেনে ৰাজধানী ৰক্ষা কৰাহে কথা। সৰ্পকেতুৰ লগত......" হঠাৎ চন্দ্ৰবৰ্মালৈ চকু পৰাত অবাক ধীৰমল্লই আনন্দৰ চিঞৰেৰে গগন ফালি ঘোঁৰাৰ পিঠিৰপৰা একেজাঁপে নামি আহি বিস্ময়ৰে কৈ উঠিল, "মহাৰাজ!" ধীৰমল্লই চন্দ্ৰবৰ্মাৰ সমুখত আঁঠু কাঢ়ি বহি দিলে।

চন্দ্ৰবৰ্মাই যেনিবা সুদূৰ অতীতৰ গৰ্ভৰপৰা ক'বলৈ ধৰিলে: "আকৌ যে কেতিয়াবা তোমাক দেখা পাম, কোনোবা দিনা তোমাৰ সৈতে দেখাদেখি হ'ব— মই কল্পনাও কৰিব পৰানাছিলোঁ, ধীৰমল্ল। যি কি নহওক, এতিয়া সেই হেৰোৱা অতীতৰ সুখ-দুখৰ কথা কোৱাৰ সময় নহয়; এতিয়া ৰাজধানী ৰক্ষা কৰাৰ সময়।"

সেনাপতি ধীৰমল্লই ক'লে, "মহাৰাজ,

অহা সৈন্যহঁত শত্ৰুনে মিত্ৰ—তাৰ সন্দেহ ল'বলৈ দহজন সৈন্যেৰে সৈতে সুবাহু আৰু চন্দ্ৰবৰ্মা দ্ৰুতগতিৰে আগুৱাই গ'ল। অলপ দূৰ আগুৱাই যোৱাৰ পাছত চাৰিজন অশ্বাৰোহীক চপলিয়াই অহা দেখা পাই সুবাহু আৰু চন্দ্ৰবৰ্মাই ৰৈ দিলে। অশ্বাৰোহী চাৰিওজনে সিহঁতৰ অশ্বৰ গতি ৰোধ কৰি নম্ৰতাৰে সুবাহুক ক'লে, "হে সেনাপতি! আমাক আমাৰ ৰাজপ্ৰতিনিধি ধীৰমল্লদেৱে পঠিয়াইছে। ৰাজধানীলৈ বুলি লৰৰি আহি থকা আমাৰ আৰু দুটা সৈন্যবাহিনীক সৰ্পকেতুৱে ভেটি ধৰিছে। আমাৰ বহুতো সৈন্যই বীৰৰ

আপোনাৰ আবিৰ্ভাৱৰ লগে লগে আমাৰ বৰ্তমান পৰিস্থিতি পৰিৱৰ্তিত হৈ গ'ল। আমি হয়তো শেষ বাৰৰ বাবে—সৰ্পকেতুৰ বিৰুদ্ধে হয়তো শেষ যুঁজ দিব লাগিব, মহাৰাজ! ৰাজধানীৰ বাহিৰতে হওক, বা ৰাজধানীতে হওক এই ৰণ দিবই লাগিব। এই ৰণ জীয়াই থকাৰ ৰণ।" চন্দ্ৰবৰ্মাক এই কথা কোৱাৰ অন্তত ধীৰমল্লই সুবাহুলৈ ঘূৰি চাই পুনৰ ক'লে, "সুবাহু, আমাৰ এই সৈন্যবাহিনীক পাহাৰটোৰ একাষত সমাবেশ কৰাঁ, আৰু ৰাজধানীৰ প্ৰধান প্ৰবেশদ্বাৰ ওচৰত কিছুমান সৈন্যক অনতিপলমে পঠাই দিয়াঁ।" এই বুলি কৈ ধীৰমল্ল চন্দ্ৰবৰ্মা আৰু ৰাওণা হ'ল।

গৈ থাকোঁতে চন্দ্ৰবৰ্মাই ধীৰমল্লক সকলো কথা কৈ থাকিল; কৈ থাকিল যে—বীৰপুৰ এৰি অহাৰ পাছত তেওঁ ক'ত কি কৰিছিল, কিমান বিপদ-বিঘিনি অতিক্ৰমি কেনেকৈ এই ঠাই পাইছিলহি।

চন্দ্ৰবৰ্মাৰ সকলো কথা শুনাৰ অন্তত ধীৰমল্লই অতি নম্ৰতাৰে ক'লে, "মহাৰাজ, মই আৰু সুবাহুৱে বহুতো প্ৰতিকূল অৱস্থাৰ মাজেদি পাৰ হৈ আহি শেহান্তৰত এই শিৰসিংহ ৰজাৰ অধীনত কাম লৈছিলোঁহি। আমি দুয়ো ৰজা শিৰসিংহৰ প্ৰতিনিধিৰূপে ইয়াত আছোঁহি, এই শিৰপুৰত—সেই কথা সুবাহুৱে নিশ্চয় আপোনাক ইতিমধ্যে ক'লেই। আজি আমাৰ লগত সৰ্পকেতুৰ তয়াময়াখন লাগি পৰিবই। যি অৱধাৰিত, সি হৈ যোৱাহে ভাল। যুদ্ধত জয়-পৰাজয় আছেই। কিন্তু এই মুহূৰ্তত সৰ্পকেতুৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰাৰ বাহিৰে আন উপায় নাই।"

"তুমি সঠিক কথা কৈছা, ধীৰমল্ল। আমি নিজে দেশ এৰি আৰুনো কিমান দিনলৈ অনাই-বনাই ফুৰি থাকিম। এই অৱস্থা দীৰ্ঘকাললৈ চলি থাকিব নোৱাৰে। গতিকে সৈন্যবাহিনীক চিজিল লগাই সৰ্পকেতুৰ বিৰুদ্ধে শেষ ৰণ দিবই লাগিব।

সেই ৰণত হয় পৰিম, নহ'লে জিকিম! কিন্তু ৰণ দিবই লাগিব, ৰণত পৰি কলীয়া হওঁ যদি হ'ম, তথাপি।" চন্দ্ৰবৰ্মাই ক'লে।

গৈ গৈ তেওঁলোক ৰাজধানীৰ প্ৰধান প্ৰবেশদ্বাৰ পালেগৈ। আৰু সেই দুৱাৰৰ দুৱৰীহঁতে তেওঁলোকলৈ টোঁৰাই কাঁড় মাৰি পঠাবলৈ ধৰিলে।

"মহাৰাজ সৰ্পকেতুৰ চেষ্টা ব্যৰ্থ কৰিবলৈ হ'লে আমাক এটা কৌশল অৱলম্বন কৰিব লাগিব। আমাৰ সৈন্যহঁতে পিছ হুঁহকি গৈ সৰ্পসৈন্যক দুফালৰপৰা চেপেনাৰ দৰে চেপি ধৰিব লাগিব।" এই বুলি কৈ, ধীৰমল্লই একেজাঁপে ঘোঁৰাৰ পিঠিত উঠিল। আৰু চন্দ্ৰবৰ্মায়ো চকুৰ ওচাৰতে অশ্বাৰূঢ় হৈ পৰিল।

চন্দ্ৰবৰ্মা আৰু ধীৰমল্লই সৈন্যবাহিনীক দুফালেদি আগবঢ়াই লৈ গ'ল। আৰু আন এফালেদি সুবাহুও সসৈন্যে সৰ্পকেতুক বেঢ়ি ধৰিবলৈ চেষ্টা কৰি থাকিল।

সুপৰিকল্পিতভাৱে তিনিওফালৰপৰা সৰ্পকেতুৰ সৈন্যহঁতক আগুৰি ধৰাত এই যুদ্ধই এক ভয়াবহ ৰূপ ল'লে। উভয়-পক্ষীয় সৈন্য নিহত আৰু আহত হ'ল। সুবাহু আছিল নামকৰা ৰণুৱা। সুবাহুৰ ঘাপৰপৰা নিস্তাৰ পোৱাই ধীৰমল্ল আগত 'বাপ্ ঔ' বুলি বাগৰি পৰিছিলহি, আৰু এই দুয়োৰো দৃষ্টিক এৰাই অহাটো মৰিছিল যুৱৰাজ চন্দ্ৰবৰ্মাৰ হাতত।

কিন্তু সৰ্পকেতুৰ সৈন্যসংখ্যা আছিল অসংখ্য। ভালেমান পৰলৈ যুদ্ধ চলি থকাৰ অন্তত চন্দ্ৰবৰ্মা আৰু ধীৰমল্লই অনুভৱ কৰিলে যে, সৰ্পকেতুৰ সৈন্য সংখ্যা অধিক হোৱা হেতুকে তেওঁলোক যিকোনো মুহূৰ্ততে এক সংকটজনক পৰিস্থিতিত সোমাই পৰিব পাৰে।

আৰু ঠিক তেতিয়াই তেওঁলোকৰ কাণত পৰিল স্বয়ং সৰ্পকেতুৰ উচ্চ চিঞৰ। সৰ্পকেতুৱে তাৰ সৈন্যহঁতক উদ্দেশি চিংকাৰ কৰি ঘোষণা কৰি আছিল ঃ "তোমালোকৰ মাজত যিজনে চন্দ্ৰবৰ্মাৰ আৰু ধীৰমল্লৰ মুণ্ড কাটি আনিব পাৰিবা, তাক মই একলাখ স্বৰ্ণমুদ্ৰা উপহাৰ দিম আৰু তাৰো পৰি, তাক সামন্তৰাজ পাতিম। আগবাঢ়াঁ, তোমালোক আগবাঢ়ি যোৱাঁ, তুৰন্ত গতিৰে আক্ৰমণ কৰি সিহঁতক পৰ্য্যুদস্ত কৰাঁ।" সৰ্পকেতুৱে চিংকাৰ কৰি ক'লে।

আৰু এই ঘোষণাৰ পাছ মুহূৰ্ততে যুদ্ধই ভয়ংকৰ ৰূপ ল'লে। সৰ্পকেতুৱে পুৰস্কাৰৰ কথা ঘোষণা কৰাৰ লগে লগেই ধূৰ্ত্ত সৰ্পকেতুৰ প্ৰতিটো সৈন্যয়েই চন্দ্ৰবৰ্মা আৰু ধীৰমল্লক আক্ৰমণ কৰি তেওঁলোকৰ মূৰ কাটিবলৈ যুদ্ধত জঁপিয়াই পৰিল।

ধীৰমল্লয়ো নাই তই নাই মইকৈ ৰণ দি থাকিল সৰ্পকেতুৰ সৈন্যহঁতৰ বিৰুদ্ধে। সৰ্পকেতুৰ সৈন্যহঁতে সিহঁতৰ ঘোঁৰাবিলাকক ধীৰমল্লৰ সৈন্যসকলৰ মাজেদি চলাই লৈ



গ'ল আৰু ঘোঁৰাৰ গছকত ভালেমান শিৰসৈন্য বেয়াকৈ আহত হ'ল।

যুদ্ধৰ এনে জটিল অৱস্থাৰ মাজত চন্দ্ৰবৰ্মাই ঘোঁৰা চলাই ধীৰমল্লৰ কাষ চাপি আহি ক'লে, "ধীৰমল্ল, মোৰ মনত এটা পৰিকল্পনাই বাহ লৈছে। কিছুমান সৈন্যক টিলাটোৰ পিছফালে লৈ যাওঁ, আৰু তাৰপৰা সৰ্পসৈন্যক পিছফালৰপৰা অতৰ্কিত আক্ৰমণ কৰিম। যদি টিলাৰ ঠিক পিছফাল পাব নোৱাৰোঁগৈ, টিলাৰ আঁৰ লৈ কঁড়িয়াব পাৰিম। তাৰ ফলত সৰ্পকেতুৰ সৈন্যহঁতৰ মাজত কিছুমান নিশ্চয় আহত, আৰু নিহত হ'ব, সৈন্যৰ সংখ্যা যথেষ্ট পৰিমাণে কমিব, আৰু তাৰ বাহিনী দুৰ্বল হৈ পৰিব।"

চন্দ্ৰবৰ্মাৰ কথা শুনি ধীৰমল্লই ভাবি লৈ ক'লে, "আপোনাৰ পৰিকল্পনাটো বেয়া নহয়, মহাৰাজ। এই যুদ্ধত আমাৰ বিজয়ী হোৱাৰ সম্ভাৱনা কম। আনকি যুদ্ধৰ গতি এনেকৈ চলি থাকিলে সিহঁতে আমাৰ সৈন্যহঁতক চাৰিওফালৰেপৰাই আমাক বেঢ়ি ধৰিব যেন পাইছোঁ। তেতিয়া আমি তাৰপৰা আৰু একোপধ্যে ওলাই আহিব নোৱাৰিম।"

তাৰ পাছত চন্দ্ৰবৰ্মাই কাঁড়ী সৈন্যহঁতক টিলাটোৰ প্ৰায় পিছফাললৈ গৈ গ'ল, আৰু এচটা বিৰাটাকাৰ শিলৰ আঁৰৰপৰা যুদ্ধক্ষেত্ৰলৈ চালে। তাৰপৰা তেওঁ যি দৃশ্য দেখা পালে, সেই দৃশ্যই যিকোনো বীৰৰ মনত আশংকাৰ সৃষ্টি কৰিবই। সৰ্পকেতুৰ সৈন্যসংখ্যালৈ চাই চন্দ্ৰবৰ্মাই ভাবি থাকিল: ইমান অসংখ্যাত সৈন্যক পৰাস্ত কৰাৰ বাবে আমাৰনো সৈন্য কেইজন আছে? তাতকৈ সৰ্পকেতুৰ চকুত বালি মাৰি মই, ধীৰমল্ল, সুবাহু আৰু বৃদ্ধৰ পুত্ৰ দেৱলক লৈ পলাই যোৱাটোহে ভাল হ'ব। কিন্তু তাৰ পাছত— ? তাৰ পাছত পুনৰ আৰম্ভ হ'ব সেই ছনে-বনে পাহাৰে-পৰ্বতে অনাই-

বনাই ঘূৰি ফুৰা এক অনিশ্চিত জীৱন…

যুদ্ধক্ষেত্ৰলৈ চাই চাই এইবোৰ কথা ভাবি থাকোঁতে হঠাৎ এটা কথা ভাবি, চন্দ্ৰবৰ্মাই এনেকৈ থিয় দিলে, যাতে সৰ্পকেতুৰ সৈন্যইঁতে তেওঁক ফটফটীয়াকৈ দেখা পায়। তাৰ পাছত, সৰ্পকেতুৰ সৈন্যইঁতক শুনাই শুনাই চন্দ্ৰবৰ্মাই চিঞৰি চিঞৰি কৈ থাকিল ঃ "হে সৈন্যসকল! মই বীৰপুৰৰ সামন্তৰজা সূৰ্য্যবৰ্মাৰ পুত্ৰ চন্দ্ৰবৰ্মা। মহাপাপী আৰু মহাধূৰ্ত সৰ্পকেতুৱে মাহিষ্মতী ৰাজবংশৰ সকলোটিক নিষ্ঠুৰভাৱে নিৰ্মূল কৰি কেনেকৈ ৰজা হৈ বহিছে—আপেনালোকে নজনা নহয়। মই মাহিষ্মতী ৰাজবংশৰ ৰজা যশোবৰ্ধনৰ যিজন পুত্ৰ এতিয়াও জীয়াই আছে, তেওঁক সিংহাসনত অধিষ্ঠিত কৰাটোকে স্থিৰ কৰিছোঁ। সেই পুত্ৰৰ নাম তপোবৰ্ধন। তপোবৰ্ধন যদি ৰজা উঠত অসন্মত হ'য়, তেতিয়া আপোনালোকে আপোনালোকৰ ইচ্ছামতে যিকোন যোগ্য ব্যক্তিক ৰজা পাতিব। যি কি নওহক, সম্প্ৰতে— ধূৰ্ত সৰ্পকেতুক বন্দী কৰাটোহে আমাৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য। আপোনালোকৰপৰা আন্তৰিক আৰু সক্ৰিয় সহায় মই আশা কৰিব পাৰোঁনে?"

চন্দ্ৰবৰ্মাৰ বক্তব্য শুনি সৰ্পকেতুৰ সৈন্যবাহিনীৰ মাজত গুঞ্জন ঢৌৱাই গ'ল। তাৰ পাছত কেইজনমান নেতৃস্থানীয় সৈন্যই সানন্দে চিংকাৰ কৰি ক'লে, "বীৰপুৰৰ মহাৰাজৰ জয় হওক!" লগে লগে আন কিছুমানেও এই ধ্বনি দিলে।

আৰু তাৰ পাছত আৰম্ভ হ'ল সৰ্প-সৈন্যইঁতৰ মাজত বিশৃংখলা। ভালেমানে চন্দ্ৰবৰ্মাৰ প্ৰস্তাৱলৈ সমৰ্থন জনালে; কিছুমানে বিৰোধিতাও অলপ নকৰাকৈ নাথাকিল। কিন্তু ভালেমান সৰ্পসৈন্য চন্দ্ৰবৰ্মাৰ ফলীয়া হৈ, দলত্যাগ কৰি চন্দ্ৰবৰ্মাৰ ওচৰলৈ গুচি আহিল। তেতিয়া দূৰত থকা সৰ্পসৈন্যইঁতে চিংকাৰ কৰি

ক'লে, "মহাৰাজ সৰ্পকেতুৰ জয় হওক!" এই জয়ধ্বনি দিয়াহঁতে চন্দ্ৰবৰ্মাৰ ফলীয়া সৈন্যহঁতক আক্ৰমণ কৰিবলৈ আগবাঢ়ি আহিল। সৰ্পকেতুৰ সৈন্যহঁতৰ মাজত এইদৰে বিভেদ আৰম্ভ হ'ল।

তিমানতে ধীৰমল্লয়ো চন্দ্ৰবৰ্মাৰ কাষ পাইছিলহি—তাত কি হৈছে, চাবলৈ। চন্দ্ৰবৰ্মাই ধীৰমল্লক ফুচফুচাই ক'লে, "ধীৰমল্ল, এয়ে হ'ল সুবৰ্ণ সুযোগ! সৰ্পকেতুৰ সৈন্যহঁতৰ মাজত এক বৃহৎ অংশ আমাৰ ফলীয়া হৈ পৰিছে, সিহঁত সৰ্পসৈন্য হৈয়ো সৰ্পসৈন্যকে এতিয়া কচুকটা দিছে। আমি এই সুযোগ কামত লগাব পাৰোঁ যদি, এই ৰণ আমি নিশ্চয়েই জিকিম।"

চন্দ্ৰবৰ্মাৰ কথা শুনি ধীৰমল্লই বীৰৰ দৰে আগুৱাই গ'ল। যুদ্ধৰ পট একেবাৰে পৰিৱৰ্তিত হৈ পৰিল। তেতিয়া বীৰপুৰ মহাৰাজৰ জয়ধ্বনিৰে শিৰপুৰৰ আকাশ-বতাহ মুখৰিত হৈ পৰিল।

যুদ্ধৰ গতি-গোত্ৰ বিপৰীত যেন দেখি সৰ্পকেতুৱে তাৰ কিছুমান অতি বিশ্বস্ত অনুচৰক লগত লৈ পলাই যাবলৈ মুৰুঙা বিচাৰি থাকিল।

আৰু সিয়নিত শোৱা সৰ্পকেতুৰ অভিসন্ধি বুজি পাই চন্দ্ৰবৰ্মা আৰু ধীৰমল্লই পলৰীয়া সৰ্পকেতুৰ পিছ খেদি গ'ল তাক ধৰিবলৈ। চন্দ্ৰবৰ্মা আৰু ধীৰমল্লৰ সৈন্য-সকলে পুৰাৰপৰা তুপৰীয়ালৈকে সৰ্পকেতুক ধৰিবলৈ চেষ্টা চলাই থাকিল। কত যে পাহাৰ, নৈ, অৰণ্য পাৰ হৈ সৰ্পকেতুৰ পিছ ল'লে; তথাপি সৰ্পকেতুক একোপধ্যে ধৰিব পৰা নগ'ল। সি পলাল।

তেতিয়া সেনাপতি ধীৰমল্ল আৰু যুৱৰাজ চন্দ্ৰবৰ্মাই দহজন বছা বছা অশ্বাৰোহী সৈন্যক সৰ্পকেতুক অনুসৰণ কৰি তাৰ সা-সন্ধেদ কঢ়িয়াই আনিবলৈ পঠালে। [অহা সংখ্যাত অন্ত পৰিব





চোৰক ধৰে মান

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰ চাপি গৈ. ডালৰপৰা শ'টো নমাই আনি, কান্ধৰ ওপৰত পথালিকৈ পেলাই লৈ, নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, তোমাৰ এই জীৱনজোৰা শ্ৰম দেখি মোৰ মনত তোমালৈ করুণা উপজিছে। বৃদ্ধাৱস্থাত কিন্তু এই পৰিশ্ৰম একো মূল্য নাপাবো পাৰা ; মই এজন ধনী ব্যৱসায়ীৰ কথা ক'ম, যিজনে ধনেদি মঠ বান্ধিও শেষান্তৰত চোৰক মান ধৰিছিল। তেওঁৰ কাহিনী শুনি শুনি গৈ থাকিলে, তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'বই।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে ঃ

কাঞ্চীপুৰৰ কনকশ্ৰেঠ আছিল মস্ত ডাঙৰ ব্যৱসায়ী। তেওঁৰ বহুবিধৰ ব্যৱসায়

'বেতাল-কথা'



দিলে বিভিন্ন ব্যৱসায় দায়িত্ব।

এইদৰে লক্ষ লক্ষ টকা উপাৰ্জন কৰাৰ অন্তত কনকশ্বেঠ বুঢ়া হ'ল। বুঢ়া হোৱাৰ পাছত তাৰ মনত এটা প্ৰশ্নই মূৰ দাঙিলেঃ মোৰ উপাৰ্জনৰ গুৰিত ঢেৰ পাপ আছে। এই পাপৰ কাৰণে মোক নৰক যাতনা ভুঞ্জিব লাগিব। মৃত্যুৰ পাছত কেনেকৈ এই যাতনাৰপৰা মুক্তি পাব পাৰোঁ?

এনেতে এজন সাধু আছিল তাত। সাধুৱে প্ৰতিজন মানুহৰ সমস্যাৰ অলেকিক সমাধান কৰিব পাৰিছিল।

কনকশ্বেঠো এদিন সাধুৰ কাষ চাপিল আৰু সাধুক সাষ্টাংগে প্ৰণাম কৰি তাৰ মনৰ কথা ক'বলৈ মুখখন মেল খুউৱাৰ লগে লগেই সাধুৱে নিজেই কৈ উঠিল, "মোক একো ক'ব লাগিব। মই তোমাৰ সম্পৰ্কে সকলো জানোৱেই। তুমি পাপৰ-পৰা মুক্তি উপায় বিচাৰি আহিছা, তুমি নৰকযাতনাৰপৰা মুক্তি বিচাৰি আহিছা। পাবা। মুক্তি পাবা। পিছে—ঢেৰ খৰচ। দিনৌ এশজনকৈ খুৱাই কমেও দহ হাজাৰ জনক খুৱালেহে তুমি পাপ মচি নিকা হ'ব পাৰিবা। এতিয়া কি কৰা—কৰাঁ।"

সাধুৰ কথা শুনি কনকে কিলৰ খাৰ খোৱা যেন পালে। দিনৌ এশজনকৈ! দিনৌ এশজনক খুৱাওঁতে সি নিজেই

আছিল। তেওঁ তেওঁৰ জীৱনত লাখ লাখ টকা' ঘটিছিল। আনকি সুত হিচাপেও হাজাৰ হাজাৰ টকা পাইছিল।

তেওঁ সোণ, আৰু মাটি বন্ধকী হিচাপে লৈ, টকা ধাৰলৈ দিছিল। এবাৰ তেওঁৰ ওচৰত বন্ধকত থ'লে সেই বস্তু ঘূৰাই পোৱা তেনেই টান হৈ পৰিছিল।

কনকশ্বেঠে জীৱনতো কাকো এটা এপইচীয়াও দান কৰা নাছিল। দয়া-ধৰ্ম বোলা বস্তু নাছিলেই। তাৰ পাপ-পুণ্যৰ বোধও নাছিল। নানান ভাৱে উপাৰ্জনৰ ধনেৰে সি তাৰ ছোৱালী কেইজনীৰ বিয়া পাতিছিল ধুমধামৰে। আৰু ল'ৰাহঁতক

যে খাৰুৱা দিব সাধুৱে জানেনে কিবা? কিন্তু পাছমুহূৰ্ততে তাৰ মনত পৰিল নৰকত জীয়াতু ভুগাৰ কথা। তথাপি সকলো ফালৰপৰা ভাবি-চিন্তি সি সাধুক ক'লে, "প্ৰভু, দহহেজাৰ মানুহক খুউৱাৰ ক্ষমতা মোৰ নাই।"

সাধুৱে হাঁহি মাৰি ক'লে, "সুতৰ টকা, আনৰ মাটি-বাৰী, সোণৰ গহনা-পাতি যে কাৰচাজি কৰি তুমি মাৰিছা, আৰু তাৰ লগতে অন্যান্য অসৎ উপায়েৰে যে উপাৰ্জন কৰিছা—মই জানো। তুমি দিনৌ এশজনকৈ দহ বছৰ ধৰি খুৱালেও তোমাৰ ধন-সোণ শেষ নহ'ব। তুমি মোৰ ওচৰত বহি মোকেই মিছা কথা কোৱা যদি, মোৰ খং উঠিব।"

সাধুৰ কথা শুনি কনকশ্ৰেঠ তলমূৰ হৈ বহি থাকিল। কনকৰ কৰুণ অৱস্থালৈ চাই সাধু ধ্যানস্থ হ'ল। অলপ পাছত সাধুৱে মন্ত্ৰ মাতি এটা ৰূপৰ পাত্ৰ সৃষ্টি কৰি কনকশ্ৰেঠক ক'লে, "তুমি কেৱল পাপীয়েই নহয়, তুমি এটা কৃপণো। তুমি এই ৰূপৰ পাত্ৰৰ মাধ্যমত মাত্ৰ তিনি দিনলৈ বিশেষ সা-সুবিধা পাই থাকিবা। তুমি পাত্ৰৰ সহায়ত দহহাজাৰ মানুহক খুৱাব পাৰিবা। এই তিনি-দিনৰ ভিতৰত তুমি দহহাজাৰ মানুহক নুখুৱাইছা যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব; তুমি মাৰিবা, নৰকলৈ যাবা।" এই বুলি কৈ, সাধুৱে ৰূপৰ পাত্ৰটো কনকশ্ৰেঠক দিলে।

অনিচ্ছাৰে হ'লেও পাছদিনাৰেপৰাই কনকশ্ৰেঠে মানুহ মাতি ভোজ খুৱাই থাকিল। ধলপুৱাৰপৰা দুপৰ নিশালৈকে এই খাৱন-যজ্ঞ চলি থাকিল। হাজাৰ হাজাৰ মানুহ ঢপলিয়াই আহি থাকিল ভোজভাত খাবলৈ। এইদৰে দুদিন পাৰ হোৱাৰ পাছত—তৃতীয়দিনাও দুপৰ নিশালৈকে খুউৱা হ'ল। সাধুৰ নিৰ্দেশ-মতে দহহাজাৰ পূৰাওঁতে মাত্ৰ দহজনহে



আছিলগৈ। তেতিয়াওনো বাট-পথত মানুহ-থাকেনে? তথাপি কনকশ্বেঠে ওলাই গৈ আঠজনক হাতে-ভৰিয়ে ধৰি আনি খুৱালে। তথাপি দুজন বাকী থাকিল।

কিন্তু আৰু দুজন মানুহ একোপধ্যে বিচাৰি পোৱা নগ'ল। কনকশ্বেঠে এই দুজনৰ খোৱাবস্তুখিনি পাকঘৰত ঢাকিঢুকি থৈ দিলে। কনকশ্বেঠে সেই নিশাই তাৰ মৃত্যু হ'ব বুলি ধৰি ল'লে। নিৰুপায়ত পৰি সি শুলে। আৰু ক্লান্ত কনকশ্বেঠ লগে লগে টোপনিতে লালকাল দিলে।

ৰাতিপুৱা চৰাইৰ মাত আৰু মানুহৰ হৈ-চৈ শুনি কনকশ্বেঠৰ টোপনি ভাগিল। সি যেতিয়া বুজি পালে যে সি জীয়ায়েই আছে, তেতিয়া তাৰ তপিনাত গোৰ লগাই নাচিবৰ মন গ'ল। সি তৎক্ষণাৎ পাকঘৰলৈ গ'ল, আৰু আচৰিত হৈ দেখিলে যে সি যোৱাৰাতি দুজনৰ কাৰণে থৈ দিয়া খোৱাবস্তুখিনি তাত নাই! আৰু ৰূপৰ পাত্ৰটোও তাত নাই। কনকশ্বেঠে ভয় খাই তাৰ ধন-সোণ থকা কোঠাটোলৈ গ'ল। ধন-সোণো নাই!

ভাবি ভাবি কনকশ্বেঠে এই কথাটি সুচাৰুৰূপে বুজি পালে যে—পাকঘৰত সোমাই খোৱাবস্তুখিনি খোৱাহঁতেই ধন-সোণখিনিও লৈ গ'ল। সি কোঠাৰ বাহিৰলৈ ওলাই আহি ইফালে-সিফালে চাবলৈ ধৰিলে।

তাৰ ঘৰৰ আগত তেতিয়া কিছুমানে হৈ-হুলস্থূল কৰি আছিল! সিহঁতে কনকশ্বেঠেক দেখা পাই তাৰ পিনে আগুৱাই আহি ক'লে, "এই মানুহ দুজন আপোনাৰ ঘৰৰপৰা এই টোপোলা দুটা লগত লৈ ওলাল। আমি হাতে-লোতে ধৰা পেলালো ইহঁতক। টোপোলা দুটাত ঢেৰ ধন-সোণ আছে। আপুনি টোপোলা খুলি চাওক।"

কনকশ্বেঠে টোপোলা খুলি পেলালে। তাত থকাখিনি যে তাৰেই তাত সন্দেহ

নাই। খুলি চায়েই টোপোলা দুটো পুনৰ বান্ধি পেলালে আৰু চোৰ দুটাক টোপোলা দুটা ঘুৰাই দি ক'লে, "তোমালোকে ভয় নকৰিবা। মই এই টোপোলা দুটা তোমালোকে দিছোঁ। এয়া লোৱাঁ।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, শেষ জীৱনত কনকশ্বেঠে যি কাম কৰিলে—তাৰ ব্যাখ্যা কি? ধনৰ বাবে কনকশ্বেঠে বহু অসৎ কাম কৰিছিল, বহু মানুহক ঠগিছিল। তথাপি সেই ধন-সোণখিনি সি চোৰ দুটাক দিলে কিয়? এয়া তাৰ মনৰ বিকৃতিনে মতিভ্ৰমনে তৃতীয় নিশা দুজনৰ কাৰণে জোখে-জোখাৰে থৈ দিয়া খোৰবস্তুখিনি চোৰ দুটাই খাই পেলোৱাত—সিহঁতৰ প্ৰতি কৃতজ্ঞতা প্ৰদৰ্শন? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি নিশ্চয়েই চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "কনকশ্বেঠে নৰক-যাতনাৰপৰা মুক্তিৰ বাবেহে সাধুৰ কাষ চাপিছিল, মৃত্যুৰ ভয়ত নহয়। দুজন মানুহক খুৱাব নোৱৰাত তাৰ মৃত্যু আৰু নৰকযাতনা অৱধাৰিত আছিল। চোৰ তাৰ ঘৰত সেই নিশা নোসোমোৱাহেঁতেন দুজনৰ খোৱাবস্তুখিনি চোৰে নোখোৱা-হেঁতেন, তাৰ নিশ্চয় মৃত্যু হ'লহেঁতেন, আৰু সি নৰক-যাতনা ভুঞ্জিবলগা হ'লহেঁতেন। এই মৃত্যু আৰু নৰক-যাতনাৰপৰা নিষ্কৃতি লাভ কৰাত সি কৃতজ্ঞতাৰ চিন্‌স্বৰূপে চোৰ দুটাক ধন-সোণখিনি দান কৰিছিল, এয়া তাৰ মনৰ একোবিধৰ বিকৃতি বা মতিভ্ৰমো নাছিল।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই ৰজাৰ কথাত তুষ্ট হৈ বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [ক্ৰমশঃ



হিচাপ-পৰীক্ষা

কোনোবা এখন গাঁৱত ভীমশংকৰ নামৰ এজন যুৱক আছিল। এদিন সি তাৰ পৰম বন্ধু এজনৰ বিয়া খাবলৈ গৈ বিয়াৰ ঠিক পাছদিনা সাঁজ লাগি ভগাৰ পাছত ঘৰমুৱা হ'ল। হঠাৎ কলীয়া ডাৱৰে বৰষিবলৈ ধৰিলে। সোনকালে ঘৰ পাবলৈ সি হাবিৰ মাজেদি গৈ গৈ থাকিল। বৰষুণত তিতি, চাৰিও-ফালে চাই ওচৰতে এটা ঘৰ দেখা পাই তালৈ গ'ল। ঘৰটো আছিল এখন ধৰমশালা। কিন্তু এৰাবাৰীৰ দৰে।

যি কি নহওক, ভীমশংকৰ ঘৰটোত সোমাল, আৰু এটা কোঠাত বহিল গৈ। অলপ পাছত পঁচিছটা ডকাইত আৰু সিহঁতৰ চৰ্দাৰ এটা সেই ঘৰটোত সোমালহি। ডকাইতবিলাক ঘোঁৰাৰপৰা নামিল আৰু সিহঁতে সিহঁতৰ লগত লৈ অহা চাউল দালি নিমখ তেল খাৰিকাঠ আদিও লৈ আহিল। চৰ্দাৰে ডকাইতহঁতক ক'লে, "একেবাৰে বুকু খালিয়াই বৰষিছেহে, এতিয়াই নৰ'ব যেন পাইছোঁ। তোমালোকে ৰন্ধাৰ আয়োজন কৰা।"

চৰ্দাৰৰ নিৰ্দেশ পোৱাৰ লগে লগেই চাৰিটা ডকাইত ৰন্ধাৰ কামত লাগিলগৈ আৰু তিনি ঘণ্টাৰ ভিতৰত ৰন্ধা শেষ কৰিলে। আন এটা কোঠাত বহি ভীমশংকৰে ৰন্ধাৰ গোন্ধ পাই আছিল। গোন্ধ পাই তাৰ ভোক চাৰিগুণে চৰিল।

ভীমশংকৰ আছিল বুকুডাঠ মানুহ, বুদ্ধিতো বৃহস্পতি। সি হাতত সাৰে ভৰিত সাৰে সিহঁতৰ কোঠাটোত সোমালগৈ। তেতিয়া কোঠাটোত এটা ডকাইতো

হৰেকৃষ্ণ সন্দিকৈ

নাছিল। ভীমশংকৰে ডকাইতহঁতৰ সাজ-পাৰপৰা এযোৰ পোছাক পিন্ধিলে। আৰু সিও দেখাত ডকাইতৰদৰে হৈ পৰিল।

আন এটা কোঠাত ডকাইতবিলাক খোৱা-বোৱা কৰিবলৈ বহিলগৈ। সেই কোঠাটোত অতি ক্ষীণ পোহৰ বিলাই এটা চাকি জ্বলি আছিল। সেই চকা-ছন্দা পোহৰত কাৰো মুখ বৰ স্পষ্টকৈ মনিব পৰা নগৈছিল। সেই ঢকা-ঢমকা পোহৰতে আটাইকেইটা ডকাইতৰ মুখলৈ চকু ফুৰাই লৈ ডকাইহঁতৰ চৰ্দাৰে ক'লে, "আমি হ'লোঁ—চাব্বিছজন। চাৰিছজনে ৰন্ধা-বঢ়া কৰিছে, থাকিল বাইছজন। তেনেহ'লে—ইয়াত তেইছখন পাত দিয়া হ'ল কেলেইনো ? আমি তেন্তে সাতাইছ-জনীয়া হ'লোঁনে কি? নিশ্চয় আমাৰ মাজত কোনোবা এটা সোমাইছেহি।"

চৰ্দাৰে পুনৰ ক'লে, "যিটো বাহিৰা মানুহ আমাৰ মাজত সোমাইছেহি তাক বিচাৰি উলিউৱাটো তেনেই উজু।" এই বুলি কৈ, নিজৰ প্ৰধান অনুচৰটোক কাষত বহুৱাই লৈ আন ডকাইতবিলাকক ক'লে-"আমি দুয়ো এই কাষৰীয়া কোঠাটোত আছোঁ। মই এডাল চুৰট জ্বলাই লৈ তোমালোকৰ প্ৰতিজনৰ গাত সেই জ্বলন্ত চুৰটটো হেঁচি ধৰিম। যিজনে সহ্য কৰিব নোৱাৰিব তাকেই বাহিৰা মানুহ হিচাপে গণ্য কৰা হ'ব, আৰু গছৰ ডালত ওলোমাই দিয়া হ'ব।"

একে একে আটাইবোৰ ডকাইত কাষৰীয়া কোঠাটোত সোমাল। প্ৰায়বোৰ ডকাইতেই জ্বলন্ত চুৰট হেঁচি ধৰাত 'উস্-আস্'কৈ আৰ্তনাদ কৰি থাকিল।

আৰু, যেতিয়া ভীমশংকৰৰ পাল আহিল, তেতিয়া ভীমশংকৰেও একেটা কৌশল অৱলম্বন কৰিলে। সি 'আইঔ :' বুলি আৰ্তনাদ কৰি উঠিল।

কিছু সময়ৰ অন্তত প্ৰতিটো ডকাইতৰ পৰীক্ষা শেষ হ'ল। তেতিয়া চৰ্দাৰে

ক'লে, "আমাৰ মাজত থকা বাহিৰা মানুহটোক এই পৰীক্ষাৰে ধৰিব পৰা নগ'ল। পিছে—এইবাৰৰ পৰীক্ষাত সি ধৰা পৰিবই লাগিব। তোমালোকে এজন এজনকৈ আহিবা। আমাৰ সংকেত কি—প্ৰত্যেকেই ক'ব লাগিব।"

এইবোৰ ভীমশংকৰে সঁচাসঁচিকৈ ভয় খালে। সি যে কি কৰিব ভাবি উলিয়াব নোৱাৰিলে। সি যেতিয়া এইবোৰ আকাশ-পাতাল ভাবি আছিল, তেতিয়া ৰান্ধনি ডকাইত এটাৰ কথা শুনি ভীমশংকৰে কাণ থিয় কৰিলে। সি আন এটাক কৈ আছিল, "তই কি ঔ? ইমান দিন দলত থাকিও খালত পৰা হ'লিনে? আমাৰ দলৰ সংকেত যে 'লম্বালম্বা', সেই কথাটোও যদি পাহৰিলি—তেনেহ'লে তই পাহৰা ধানৰ ভাতকে খাগৈ যা।"

এইবাৰো পৰীক্ষা লোৱাৰ অন্তত চৰ্দাৰে ক'লে, "বৰ লাজৰ কথা হ'ল, এইবাৰো বাহিৰা মানুহটো নোলাল। আমাৰ মাজত সোমাই পৰা বাহিৰা মানুহটো বৰ চালাক।" অলপ ৰৈ, চৰ্দাৰে ঘোষণা কৰাৰ দৰে ক'লে, "মই কালী গোসাঁনীৰ নামত শপত খাই কৈছোঁ, আমাৰ মাজত সোমাই পৰা নতুন মানুহজনে যদি নিজৰ চিনাকি নিজেই দিয়ে—মই তাক ভালকৈ খুৱাই-বুৱাই যথাযোগ্য পুৰস্কাৰ-উপহাৰৰে সৈতে বিদায় কৰিম। মোৰ কথা শিলৰ ৰেখা।"

তেতিয়া ভীমশংকৰে ডকাইত-চৰ্দাৰক গুৰিৰেপৰা ঘটনাৰ কথা বিবৰি ক'লে, "আচলত ভোকত মোৰ পেটৰ কেঁচু-কুমটি মৰোঁ মৰোঁ হোৱাত এই কাণ্ড কৰিছিলোঁ মই। হে চৰ্দাৰ! এইবোৰলৈ মোক ক্ষমা কৰক!

ভীমশংকৰৰ কথা শুনি ডকাইতহঁতৰ চৰ্দাৰে তাক বঢ়িয়াকৈ খুৱালে আৰু পুৰস্কৃত কৰি সসম্মানে বিদায় দিলে।



আমাৰ দ'ল-দেৱালয়

সোমনাথ মন্দিৰ

পুৰাণৰ বৰ্ণনা অনুসাৰে কোনো এসময়ত চন্দ্ৰৰ বৃদ্ধি আৰু ক্ষয় নাছিল। প্ৰতি নিশা প্ৰত্যেকেই পূৰ্ণ চন্দ্ৰৰ ৰূপ দেখা পাইছিল। তেতিয়া চন্দ্ৰৰ অৰ্থাৎ জোনৰ বঢ়া-টুটা নাছিল।

চন্দ্ৰ আছিল দক্ষপ্ৰজাপতিৰ ভাগিন। এবাৰ চন্দ্ৰ ধৰ্মৰপথৰপৰা বিচ্যুত হোৱাত খোঙাৱে প্ৰজাপতিয়ে খঙতে অভিশাপ দিছিল। তাৰ পাছৰপৰা চন্দ্ৰৰ আকাৰ ক্ৰমাত ক্ষীণ হ'বলৈ ধৰিলে।

চন্দ্ৰ খীণাই যোৱা দেখি দেৱতাসকলে উদ্বিগ্ন হৈ প্ৰজাপতিক অনুৰোধ কৰিলে যাতে চন্দ্ৰক অভিশাপমুক্ত কৰি দিয়ে। তেতিয়া প্ৰজাপতিয়ে তেওঁৰ অভিশাপ অলপ সলনি কৰি চন্দ্ৰক এপষৰ বাবে সৰু আকাৰৰ আৰু এপষলৈ ডাঙৰ আকাৰৰ হোৱাৰ বন্দবস্ত কৰি দিলে।

দেৱতাসকলে চন্দ্ৰক প্ৰতিদিন সমুদ্ৰস্নান কৰি শিৱক পূজিবলৈ ক'লে। তাৰ ফলত চন্দ্ৰই তাৰ হেৰোৱা উজ্জ্বলতা ক্ৰমাত ঘূৰাই পোৱা হ'ল। যিঠাইত চন্দ্ৰই উজ্জ্বলতা ঘূৰাই পাইছিল সেই ঠাইৰ নাম আছিল প্ৰভাসক্ষেত্ৰ।

চন্দ্ৰক শিৱপূজা কৰা দেখি কিছুমান মানুহেও শিৱপূজা কৰিবলৈ ধৰিলে। দিনে দিনে সেই ঠাইত মানুহৰ সমাগম অতিপাত বাঢ়িল। ভক্তসৱে মিলি সেই ঠাইত শিৱৰ নাম থ'লে সোমনাথ।



প্ৰভাসক্ষেত্ৰত কোনে পোনপ্ৰথমতে শিৱৰ দ'ল নিৰ্মাইছিল, জনা নাযায়। কিন্তু খ্ৰিষ্টীয় ছয় বা সাত শতিকাত সেইঅঞ্চলৰ শাসক ধাৰাসেনে তাত এটি দ'ল স্থাপন কৰাৰ কথা জনা গৈছে।

নৱম শতিকাত দ'লটি পুনৰ্নিৰ্মিত হয়। তেতিয়াৰেপৰাই ৰাজন্যবৰ্গ আৰু ভক্ত বৃন্দই দেশৰ বিভিন্ন প্ৰান্তৰপৰা আহি সোমনাথ নামৰ মন্দিৰত সোণৰ অলংকাৰ অৰ্পণ কৰিবলৈ ধৰে। লাহে লাহে তাত জন-বসতিও স্থাপিত হয়।

একাদশ শতিকাত গজনীৰ ছুলতান মাহ্‌মুদে ভাৰত আক্ৰমণ কৰি সোমনাথ মন্দিৰৰ স্বৰ্ণালংকাৰ আৰু মণি-মুকুতা আদি সকলো লুণ্ঠন কৰি লৈ যায়।

স্থানীয় ৰজাই ছুলতান মাহ্‌মুদক প্ৰতিৰোধ কৰাৰ চেষ্টা কৰা সত্বেও ব্যৰ্থ হ'ল। মাহ্‌মুদৰ বিৰাট সৈন্য-বাহিনীৰ আগত ৰজাৰ ক্ষুদ্ৰ বাহিনীয়ে একোপধ্যে তিষ্ঠিব নোৱাৰিলে।

তেতিয়া মন্দিৰৰ পুৰোহিতে আৰু প্ৰজাগণে মাহ্‌মুদক অনুৰোধ কৰিলে, তেওঁ সোন-মণি-মুকুতা লুণ্ঠন কৰিও মন্দিৰৰ বিগ্ৰহ স্পৰ্শ নকৰে যেন। কিন্তু ছুলতান মাহ্‌মুদে এই অনুৰোধলৈ কাণসাৰ নকৰি, পুৰোহিতক হত্যা কৰি, বিগ্ৰহো লুণ্ঠন কৰি লৈ গ'ল।

ছুলতান মাহ্‌মুদক প্ৰতিৰোধ কৰাত পঞ্চাছ হেজাৰ মানুহে প্ৰাণ দিবলগীয়া হৈছিল। পঞ্চাছ হেজাৰ মানুহক হত্যা কৰাৰ অন্ততহে মাহ্‌মুদে মন্দিৰৰ বিগ্ৰহৰে সৈতে অতুল ঐশ্বৰ্য্য লুণ্ঠন কৰিব পাৰিছিল। মাহ্‌মুদে ভবাতকৈ অনেক অধিককৈ বস্তু পাইছিল।



এই লুণ্ঠনৰ পাছতো, ত্ৰয়োদশ শতিকাত আলাউদ্দিন খলজীয়ে সোমনাথ মন্দিৰ পুনৰ আক্ৰমণ কৰিছিল। ওঠৰ শতিকাত আওৰংজেবৰ নেতৃত্বত সোমনাথ মন্দিৰ আক্ৰমণ কৰা হৈছিল। এই ঘটনাৰ পাছত ইন্দোৰৰ ৰাণী অহল্যাবাঈৰ নেতৃত্বত সোমনাথ পুনৰ্নিৰ্মিত হয় আৰু ১৯৫১ চনত সোমনাথ মন্দিৰ উদ্বোধন কৰা হয়।

ঘিণালে বিনাবা

সুপ্ৰাচীনকালত স্যুইজাৰলেণ্ডৰ কোনোবা এগৰাকী ৰজাৰ এজনী ছোৱালী আছিল। ৰজাই ছোৱালীজনীক অতি আদৰৰে ডাঙৰ-দীঘল কৰিছিল আৰু যথেষ্ট শিক্ষা-দীক্ষা দিছিল। ছোৱালীজনীক সাহিয়াল কৰি তুলিবলৈ ৰজাই সদায় তাইক তেওঁৰ লগত লৈ ফুৰাইছিল।

এবাৰ ৰজা চিকাৰলৈ ওলাল, আৰু ছোৱালীজনীকো লগত লৈ গ'ল। গভীৰ অৰণ্যলৈ সোমোৱাৰ পাছত ৰাজকুঁৱৰীয়ে এগৰাকী বৃদ্ধাই এটা সাপৰ মুখত চুমা খোৱা দেখা পালে। এই দৃশ্য দেখি ৰাজকুঁৱৰীয়ে ঘৃণাৰে কৈ উঠিল, "ছিঃ ছিঃ—এয়ানো কি?"

বৃদ্ধাৰ তিগ্ৰমান্তি খং উঠিল আৰু ৰাজকুৱৰীলৈ ৰঙা চকুৰে চাই ক'লে, "এই প্ৰাণীটোক ঘৃণা কৰাৰ কোনো হেতু নাই। ইয়াক ঘৃণা কৰাৰ হেতুকে তোমাকো সাপলৈ ৰূপান্তৰিত হ'ব লাগিব।" এই বুলি কৈয়েই বৃদ্ধাই তেওঁৰ সোঁহাতত থকা কাঠিডাল ৰাজকুঁৱৰীৰ গাত ছোৱালে আৰু ৰজাই বাধা দিয়াৰ আগতেই ৰাজকুঁৱৰী সাপলৈ ৰূপান্তৰিত হৈ পৰিল।

সাপলৈ ৰূপান্তৰিত হৈ ৰাজকুঁৱৰীয়ে তাইৰ দেউতাকলৈ চালে।

বুঢ়ীয়ে ৰাজকুঁৱৰীক ক'লে, "আৰু দেউতাৰাৰ পিনে চাই লাভ নাই। এতিয়া হাবিত সোমোৱা আৰু ৰংমনে বগাই ফুৰাগৈ।"

ৰজাই খঙতে জুইহেন হৈ তৰোৱাল উলিয়াই বুঢ়ীক ঘপিয়াবলৈ লোৱাত

স্যুইজাৰলেণ্ডৰ লোক কাহিনী



বুঢ়ীয়ে ক'লে, "বৰ বেছি নাবাঢ়িবা, বাঢ়িলেই বগাই ফুৰাৰ বন্দৰস্ত কৰিম, তোমাকো সাপলৈ ৰূপান্তৰিত কৰিম এই কথা নিশ্চয় বুলি জানিবা।"

নিৰুপায় ৰজাই বুঢ়ীক কাবৌকৈ ক'লে, "তুমি মোৰ ছোৱালজনীক তাইৰ আগৰ ৰূপ ঘূৰাই দিয়া তোমাৰ কি লাগে কোৱাঁ, মই দিম।"

"চোৱাঁ, মই মন্ত্ৰ মাতি অনিষ্ট কৰিব পাৰোঁ; কিন্তু উপকাৰ সধাৰ ক্ষমতা মোৰ নাই। পিছে—মই মোৰ নিজস্ব ক্ষমতাৰ বলেৰে তাইক সাপৰ ৰাণী কৰি দিব পাৰোঁ। অহা তিনিদিনৰ ভিতৰত মোক সোণৰ সৰু মুকুট এখন আনি দিয়া, তাইক মই নাগৰাণী কৰি দিম।" বুঢ়ীয়ে ৰজাক ক'লে।

ৰজাই কিবা ক'বলৈ ধৰোতেই বুঢ়ীয়ে পুনৰ ক'লে, "তোমাৰ এই সোণৰ মুকুটখন কেতিয়াবা যদি গলি যায়, বা গুড়ি হৈ যায়, একমাত্ৰ তেতিয়াহে তাই তাইৰ আগৰ ৰূপ ঘূৰাই পাব।"

ৰজাই কি আৰু কৰে, ততাতৈয়াকৈ প্ৰাসাদলৈ উভতি গৈ খাঁটি সোণৰ মুকুট এখন গঢ়াই লৈ বুঢ়ীক দিলেহি। সাপৰূপী ৰাজকুঁৱৰীয়ে সেই মুকুটখন পিন্ধি ল'লে।

আৰু কিছুদিনৰ অন্তত এই মুকুট-মাহাত্ম্য সকলোতে বিয়পি পৰিল: য'ত মুকুটখন থাকিব তাত কোনো বস্তুৰ অভাৱ ন'হব। ধন-ভঁৰাল থাকিলে ধনৰ, ধান-ভঁৰালত থাকিলে ধানৰো কেতিয়াও অভাৱ নহ'ব। মুকুটখন চন্দুকত ভৰাই থ'লে চন্দুকৰ ধন হেনো একদৰেই থাকিব যিমানেই মানেই খৰচ নকৰক। এই কথা প্ৰচাৰ হোৱাৰ লগে লগে ভালেমানে এই সাপৰ মুকুটখন চুৰি কৰাৰ চেষ্টা দিলে।

এদিন এজন হালোৱা হাবিয়নিৰ মাজেদি গৈ থাকোঁতে তাৰ পিয়াহ লাগিল, আৰু সি এটা পুখুৰীত পানী খাবলৈ গ'ল। সি তাত সোণৰ মুকুটখন

দেখা পাই মুকুটখন লৈ খোজ ল'লে। অলপ পাছতে অসংখ্য সাপে তাক খেদি অহাত হালোৱাই নিৰুপায়ত পৰি এজোপা ওখ গছত উঠিলগৈ, আৰু সেই ক্ৰুদ্ধ সাপবিলাকে গছৰ তলত জিভা উলিয়াই ফোচফোচাই থাকিল।

এনেতে এগৰাকী মহিলা তালৈ আহিল, আৰু হালোৱাক ক'লে, "তুমি গছৰ ওপৰত বহি আছা কেলেই? তোমাৰ কি হৈছে কোৱাচোন?"

হালোৱাই মহিলাগৰাকীক ক'লে, "সেই কথা পাছত ক'ম। পিছে—তুমি ইমানবোৰ সাপৰ মাজত থিয় হৈ আছা কেনেকৈনো তাকে কোৱাচোন মোক?"

মহিলাগৰাকীয়ে হালোৱাক ক'লে, "মই মন্ত্ৰ মাতি সাপকো সেও কৰিব পাৰোঁ। মোক মুকুটখন দিয়া, মই সাপবিলাকক আঁতৰাই দিম, তুমিও তোমাৰ প্ৰাণ ৰক্ষা কৰিব পাৰিবা।"

"মুকুটৰ কথা পাছতো হ'ব, আগতে তুমি সাপবিলাকক আঁতৰ কৰাচোন চাওঁ?" হালোৱাই মহিলাগৰাকীক ক'লে।

তাৰ পাছত মহিলাই মন্ত্ৰ মাতি সাপবিলাকক ওভোতাই পঠালে আৰু হালোৱাও গছৰ মূধৰপৰা নামি আহিল আৰু ক'লে, "মই সংসাৰী মানুহ, মোৰ নানান আলৈ-আহুৱাল। এই মুকুটখন মোক লাগে। এটা কাম কৰা। তুমি

মোৰ ঘৰলৈ গুচি আহাঁ। তোমাৰ অসুবিধা নোহোৱালৈ মই লক্ষ্য ৰাখিম।”

আচলতে এই মহিলাগৰাকীৰ কোনো-কেও নাছিল। তেওঁ ৰাজী হ'ল। হালোৱাৰ অৱস্থা দিনক দিনে ভাললৈ গ'ল। মহিলাগৰাকীয়ে বুজি পালে যে হালোৱাৰ এই উন্নতিৰ গুৰিত আছে সেই সোণৰ মুকুট। এদিন যেতিয়া হালোৱা ঘৰত নাছিল, মহিলাগৰাকীয়ে সোণৰ মুকুটখন চুৰি কৰি লৈ তেওঁৰ ঘৰলৈ গুচি গ'ল। হালোৱাই মহিলাগৰাকীৰ ঠিকনা নাজানিছিল, গতিকে সি মহিলাগৰাকীক বিচাৰি নাপালে।

ইপিনে—সেই মহিলাই মুকুটখন ধানৰ ভঁৰালত থৈ দিলে। মহিলাই ধান বনাবলৈ ধান লৈ ধানকললৈ যায়। ধান-কলৰ মালিকে লক্ষ্য কৰিলে যে এই ধান শেষেই নহয়। অৱশেষত এই ৰহস্যৰ ওৰ বিচাৰি বিচাৰি মুকুটখন পালে, আৰু পায়েই সেই মুকুটখন তেওঁৰ চন্দুকত ভৰাই থ'লে। অলপ পাছত মহিলা গৰাকীয়ে তেওঁৰ মুকুটখন খোজাত ধান কলৰ মালিকে অস্বীকাৰ কৰিলে।

পাছত ধানকলৰ মালিকে ভাবিলে: এই মুকুটখন যদি ঘেঁহুৰ মাজত থৈ দিওঁ আৰু সেই ঘেঁহু কলত গুড়ি কৰি বেচোঁ, অনন্তকাল ধৰি আটাগুড়ি ওলাই থাকিব, আৰু মই সুখেৰে বেচি থাকিম।

এদিন মালিকৰ মহাভুল হ'ল। ঘেঁহুৰ লগত কলত পেলাই সেই মুকুটখনো গুড়ি কৰি পেলালে।

আৰু লগে লগে সেই সাপৰ ৰাণী ৰাজকুঁৱৰীয়ে পুনৰ নিজৰ ৰূপ ঘূৰাই পালে। ৰাজকুঁৱৰীয়ে আগৰ ৰূপ ঘূৰাই পায়েই ৰজাৰ কাষ চাপিল। ৰজাই এজন ৰাজকোঁৱৰৰ সৈতে ৰাজকুঁৱৰীৰ বিয়া পাতি দিলে। বিয়াৰ পাছত ৰাজকুঁৱৰীয়ে সুখেৰে জীৱন যাপন কৰি থাকিল।

শিৱ-পুৰাণ

১৫

ব্ৰহ্মা দিৱদাসৰ ওচৰলৈ গৈছিল। উভতি আহোঁতে পলম হোৱাত শিৱই প্ৰমথ-গণক কাশীলৈ পঠালে। শিৱৰ নির্দেশ-মতে প্ৰথমগণ কাশীলৈ গ'ল; কিন্তু কাশী পাই, কাশীলৈ কি কাৰণে আহিবলগা হ'ল—সমূলি পাহৰি থাকিল। এই প্ৰমথগণৰ মাজত থকা কপৰ্দিয়ে কপৰ্দি শিৱ-লিংগৰ প্ৰতিষ্ঠা কৰিছিল।

*

মন্দৰগিৰিৰ ওপৰত অধিষ্ঠিত শিৱই কাশীৰ খা-খবৰ নোপোৱা হ'ল। আৰু অৱশেষত শিৱই গণেশক কাশীলৈ পঠালে।

কাশীলৈ গৈ, গণেশে বহুবিধৰ উৎসৱৰ আয়োজন কৰিলে। গণেশ দিৱদাসৰ প্ৰাসাদলৈ গ'ল, দিৱদাসৰ প্ৰশ্নসমূহৰ সদুত্তৰ দিলে, আৰু ৰাজ পুৰোহিতৰসকলৰ লগত থাকিবলৈ ল'লে।

*

এদিন ৰজা দিৱদাসে ডুণ্ঢি ভট্টাৰকক সুধিলে, "কাশীত ইমান উৎসৱ অনুষ্ঠিত হোৱাৰ হেতু কি কোৱাচোন?"

"হে ৰজা, আপুনি কিছুদিনৰ বাবে কাশীৰপৰা আঁতৰ হলেহে কিজানি ভাল হ'ব। অহা ওঠৰ দিনৰ ভিতৰত উত্তৰ-দেশৰপৰা এগৰাকী ব্ৰাহ্মণ পৱিত্ৰ কাশী-ধামলৈ আগমন কৰিব। তেওঁ এই বিষয়ে আপোনাক সঠিক উপদেশ দিব পাৰিব চাগে।" ডুণ্ঢিয়ে ৰজা দিৱদাসক কথাবোৰ

'গংগাৱতৰণ'

ভালদৰে বুজাই ক'লে।

তাৰ পাছত শিৱই বিষ্ণুকো কাশীলৈ পঠালে। বিষ্ণুৱে বুদ্ধদেৱৰ ৰূপত কাশীৰ অধিবাসীসকলক নাস্তিকাবাদ শিকালে, আৰু বৌদ্ধ আৰু জৈন ধৰ্ম সম্পৰ্কে আলোচনা কৰি তেওঁলোকৰ মাজত ধৰ্ম-সম্পৰ্কিত চিন্তাধাৰাৰ প্ৰচাৰ কৰিলে। তাৰ পাছত বিষ্ণুৱে ব্ৰাহ্মণৰ বেশ-ভূষা পৰিধান কৰি দিৱদাসৰ ওচৰলৈ গৈ তেওঁক আশীৰ্বাদ কৰিলে।

দিৱদাসে ব্ৰাহ্মণৰূপী বিষ্ণুক ক'লে, "চাওক, দেৱতাসকলে মোক বিভিন্নভাৱে জলা-কলা কৰি মাৰিছে। মই বহুকাল ধৰি বিভিন্ন ৰকমৰ দুঃখ-কষ্ট ভুগি সেই দেশ শাসন কৰি এতিয়া বৃদ্ধ হ'লোঁ; মোক অনুগ্ৰহ কৰি কওক—মই কেনেকৈ মোক্ষলাভ কৰিব পাৰোঁ।"

এই কথাৰ উত্তৰত ব্ৰাহ্মণৰূপধাৰী বিষ্ণুৱে ক'লে, "হে ৰজা দিৱদাস, তুমি পৱিত্ৰ কাশী নগৰীত দেৱাদিদেৱ শিৱৰ লিংগ প্ৰতিষ্ঠা কৰাঁ। তেতিয়া তুমি কৈলাসলৈ যাব পাৰিবা।"

বিষ্ণুৰ কথা আখৰে আখৰে পালন কৰাৰ অৰ্থে, ৰজা দিৱদাসে সমৰঞ্জয়ক এটা ঘৰত থৈ, তাত এটি লিংগ প্ৰতিষ্ঠা কৰিলে। তাৰ পাছত, ৰথত উঠি কাশীলৈ উভতি গৈ সানন্দে শাসনকাৰ্য্য চলাবলৈ ধৰিলে।

বিশ্বনাথ, বিশালাক্ষী প্ৰমুখই কাশীত কিছুদিনলৈ বসবাস কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। বিশ্বনাথৰ শিষ্যসকলৰ মাজত আছিল বৈশম্পায়ন, জৈমিনি, পৈল, সুমন্ত প্ৰমুখগণ।

এওঁলোকে প্ৰাতঃকৃত্য সমাপনান্তে গংগাত স্নানাদি সমাপন কৰি, গায়ত্ৰীমন্ত্ৰ জপ কৰি, অগ্নিকাৰ্য্যাৱলী সুচাৰুৰূপে সম্পন্ন কৰাৰ অন্তত ভিক্ষাৰ্থে দেশৰ বিভিন্ন প্ৰান্তলৈ ওলাল।

*

তেতিয়া বিশ্বেশ্বৰে বিশালাক্ষীক ক'লে,


Sankar



"বলা, এবাৰ ব্যাসৰ মন পৰীক্ষা কৰি চোৱা যাওক। ব্যাস আৰু তেওঁৰ শিষ্যহঁতে যাতে ভিক্ষা নাপায় তুমি তাৰ তাৰ বাবে কটকটীয়াকৈ ব্যৱস্থা কৰাঁ।"

এই প্ৰস্তাৱত বিশালাক্ষী সন্মতা হ'ল। কাশীৰ কোনোজনী মহিলাৰ মনত যাতে ভিক্ষাদান কৰিবলৈ আনকি ইচ্ছাও নোপজে,তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিলে। তাৰ ফলত ব্যাসৰ শিষ্যসকলে কণমান ভিক্ষাও নোপোৱা হ'ল। শিষ্যসকল য'লৈকে যাৰ ঘৰলৈ গ'ল, তাতে 'ৰন্ধনকাৰ্য্য সম্পন্ন হোৱা নাই বুলি কোৱা হ'ল। হ'ল কোৱা, 'আগ বাঢ়ি যাওক', 'আমি ভিক্ষা দিব নোৱাৰিম'—ইত্যাদি কথা।

ব্যাসে ভিক্ষা নোপোৱা হ'ল, তেওঁৰ শিষ্যসকলো দুৱাৰে দুৱাৰে বিমুখ হ'ল। তেতিয়া সকলো শিষ্য ভোকত আতুৰ হৈ পৰিল। অৱশেষত তেওঁলোক গৈ গৈ মন্দিৰ পালেগৈ। তেতিয়া ব্যাসে তেওঁৰ শিষ্য-সকলক ক'লে, "মই গোটেই দিন ধৰি ক'তো এমুষ্টি ভিক্ষাও নাপালোঁ। তোমালোকে ক'ৰবাত ভিক্ষা পালানে ?

ব্যাসৰ জিজ্ঞাসাৰ উত্তৰত তেওঁৰ শিষ্যসকলেও 'নাই পোৱা' বুলি ক'লে।

তেতিয়া ব্যাসে ক'লে, "আমি যে আজি সাৰ পাই কাৰ মুখ দেখা পাইছিলোঁ! কিন্তু যাক দেখা পাইছিলোঁ— সি নিশ্চয় পাপী আছিল।"

*

এইদৰে সাতদিন পাৰ হ'ল। আঠ-দিনৰ দিনা ব্যাস আৰু তেওঁৰ শিষ্যসকল প্ৰাতঃকৃত্য সমাপনান্তে ভিক্ষালৈ ওলাল। সিদিনা একেলগে এঠাইলৈ নোলাই, বেলেগে বেলেগে বেলেগে ঠাইলৈ গ'ল।

*

ব্যাসে এটা ঘৰৰপৰাও ভিক্ষা নাপালে। এই কথাত তেওঁ অতি ক্ৰুদ্ধ হৈ উঠিল। তেওঁ ইমানেই ক্ৰুদ্ধ হ'ল যে তেওঁ বাটৰ ওপৰত শিলেৰে তেওঁৰ ভিক্ষাপাত্ৰ টুকুৰা-

টুকুৰ কৰিবলৈ ধৰিলে আৰু ক'লে, "কাশীৰ তিনিপুৰুষলৈকে কোনেও বিদ্যালাভ কৰিব নোৱাৰে যেন, ধন সঞ্চয় কৰিব নোৱাৰে যেন, আৰু যেন নাস্তিক হয় ।" এই বুলি কৈ, কমণ্ডলুৰপৰা পানী ঢালিলে ; কিন্তু অতি আচৰিত কাণ্ড এটা ঘটিল, কমণ্ডলুৰপৰা পানী নপৰা হ'ল ?

*

আৰু ঠিক তেতিয়াই এটা ঘৰৰ দুৱাৰ এখন মেল খাই পৰিল। দুৱাৰ খুলি ওলাই আহিল পঞ্চাছ বছৰীয়া এগৰাকী মহিলা। তেওঁৰ গাত আছিল বিধোবিধ সোণৰ অলংকাৰ। মহিলাগৰাকীয়ে ব্যাসলৈ চাই ক'লে, "হেৰা ব্ৰাহ্মণ, মিছামিছিকৈ শাওপাত দি নাথাকিবা। এইফালে আহাঁচোন।"

পৰম আনন্দৰে ব্যাস সেই মহিলা-গৰাকীৰ ওচৰলৈ গ'ল। মহিলাৰ জাত-পাত নাজানিয়েই মহিলাগৰাকীক নমস্কাৰ কৰিলে। মহিলাগৰাকীয়ে ক'লে, "ভিক্ষা নাপাই তুমি কাশীবাসীক অভিশাপ দিছা ; কিন্তু কাশীত খাদ্যৰ অভাৱ নাই। তোমাক পৰীক্ষা কৰিবলৈ স্বয়ং বিশ্বনাথেই এইবোৰ কৰাইছে। স্বয়ং অন্নপূৰ্ণাই ইয়াত আহাৰ বিলায়, তুমি নাজানানে ? আহাঁ, তুমি মোৰপৰা ভিক্ষা লোৱাঁহি।"

এই কথা শুনি ব্যাসে ক'লে, "জননী, বহুদিনৰ অন্তত ইমান সুমিষ্ট বাক্য মোৰ কাণত পৰিল।" তুমিনো কোন—আই ?

পোনপটীয়াকৈ ব্যাসৰ প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ মহিলাগৰাকীয়ে ক'লে, "বোপা, তোমাৰ শিষ্যহঁতকো তোমাৰ লগত নিশ্চয়কৈ লৈ আহিবা, মই কথা দিছোঁ, তোমালোকৰ আটাইকে খুৱাম।"

দুপৰীয়া তেওঁৰ তিনিশজন শিষ্যৰে সৈতে ব্যাস সেই মহিলাগৰাকীৰ ঘৰলৈ গ'ল। তাত তিনিশ এখন পাত পাৰি থোৱা আছিল। মহিলাগৰাকীয়ে প্ৰদীপ এটি জ্বলাই হাতত লৈ ব্যাসক ক'লে,

"এইবাৰ তোমালোকে আহাৰ কৰা।"

পাত আছে, ভাত নাই—এনে অৱস্থাত ব্যাসৰ শিষ্যসকলে পৰস্পৰলৈ চালে।

তেতিয়া বৃদ্ধা মহিলাই পুনৰ ক'লে, "বোপাইঁত, তোমালোকে হাত সাৱটি বহি আছা কিয়? খোৱাবস্তু আগত লৈ বৈ থাকিব নাপায়। খোৱাঁ।"

আৰু পাছ মুহূর্ততে খোৱাপাত পঞ্চ-ব্যঞ্জন পৰমান্ন আদিৰে ভৰি পৰিল। ব্যাস আৰু তেওঁৰ শিষ্যসকলে পৰমানন্দৰে পৰমান্ন খাই থাকোঁতে ভাবিলে: এই-বাৰহে বুজিলোঁ এওঁ কোন। নিশ্চয় এৱেঁই স্বয়ং অন্নপূর্ণা!"

এনেতে তাত বিশ্বনাথ পাৰ্বতীৰে সৈতে ওলালহি। ব্যাস আৰু তেওঁৰ শিষ্যসকলে শিৱ পাৰ্বতীক প্ৰণাম কৰিলে। শিৱে ব্যাসলৈ ৰঙা চকুৰে চাই ক'লে, "দুৰাত্মা ক'ৰবাৰ! তুমি মহাভাৰত লিখিছা, নহয়নে? কাশী হ'ল মোৰ মানস-পত্নী। আৰু তুমি সেই কাশীক অভিশাপ দিছা! এতিয়াই তুমি তোমাৰ শিষ্যইঁতক লৈ ইয়াৰপৰা গুচি যোৱা। আৰু—আৰু কদাপি ইয়ালৈ নাহিবা। ইয়ালৈ আহাঁ যদি, তাৰ ফলাফল অতি বিষময় হ'ব।"

শিৱৰ নিৰ্দেশ শুনি, তেওঁক প্ৰণাম কৰি, সশিষ্য ব্যাস কাশী পৰিত্যাগ কৰি গুচি যাবলৈ সাজু হ'ল। তেতিয়া পাৰ্বতীয়ে ব্যাসক ক'লে, "বোপা, তুমি মনত দুখ নকৰিবা, বেয়া নাপাবা। আন ক'ৰবালৈ নগৈ, তুমি পোনে পোনেই ভীমেশ্বৰৰ ওচৰলৈ যোৱাঁ। দক্ষাৰামত তুমি তেওঁৰ দেখা পাবা। ভীমশ্বৰে তোমালোকক বিভিন্ন সা-সুবিধাৰে আপ্যায়িত কৰিব আৰু আৱশ্যকমতে অৱশ্যেই আশ্ৰয়ো দিব বুলি আশা কৰিছোঁ।"

পাৰ্বতীৰ পৰামৰ্শমতে ব্যাসে তেওঁৰ শিষ্যসকলৰে সৈতে কাশী পৰিত্যাগ কৰি ভীমেশ্বৰৰ ওচৰলৈ ৰাওণা হৈ গ'ল।



সমস্যাৰ সৰু-বৰ

নিৰ্গুণানন্দ নামৰ এগৰাকী সাধু আছিল; তেওঁৰ আছিল অনেক শিষ্য আৰু ভক্ত।

ভক্তসৱে তেওঁৰ কাষ চাপিছিল বিভিন্ন সমস্যাৰ সমাধান বিচাৰি। একো একোজনৰ কথা শুনি নিৰ্গুণানন্দই কৈছিল, "এইবোৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ সমস্যা লৈ যদি তোমালোক ইমান উদ্বিগ্ন, ডাঙৰ সমস্যাৰ বেলিকা বাৰু কি কৰিবা ?"

সাধু নিৰ্গুণানন্দৰ বচন শুনি ভক্তবৃন্দই কোনো বাদ-প্ৰতিবাদ কৰা নাছিল।

এইবোৰ কথা কাণলৈ লক্ষ্য কৰি গাঁওবুঢ়া শিৱনাথে ভক্তসৱক এদিন ক'লে, "তোমালোকে ক্ষুদ্ৰাতিক্ষুদ্ৰ সাধাৰণ সমস্যাৰ কথা কোৱাতহে সাধুবাবাই তেনেকৈ কয়। এতিয়াৰপৰা তোমালোকে মস্ত ডাঙৰ সমস্যাৰ কথা তেওঁক ক'বা, চাবা, তেওঁ সমাধান দিব।"

গাঁওবুঢ়াৰ কথা শুনি ভক্তসৱে ভাবিলে : গাঁওবুঢ়াই লাখ কথাৰ এক কথা কৈছে। কিন্তু তথাপি সিহঁতে যে সাধাৰণ সৰুসুৰা সমস্যাৰ বাহিৰে একো ক'ব পৰা নাছিল, কিয়নো সিহঁতৰ সমস্যাবোৰ সঁচাকৈয়েই আছিল অতি সাধাৰণ বিধৰ।

কেইদিনমানৰ অতন্ত গাঁওবুঢ়া শিৱনাথে সাধুবাবা নিৰ্গুণানন্দক শিষ্যসকলৰে সৈতে তেওঁৰ ঘৰলৈ আমন্ত্ৰণ জনালে। খোৱা-লোৱাৰ অন্তত সশিষ্য সাধুবাবাৰ বিশ্ৰামৰো বন্দৱস্ত কৰা হ'ল। সাধুবাবাক যাতে মহে নাকামোৰে তাৰ বাবে বঢ়িয়া বন্দৱস্ত কৰি দিলে সাধুভক্ত শিৱনাথে।

ৰাতিপুৱা নিৰ্গুণানন্দৰ চকুযুৰি ৰঙা পৰা দেখি শিৱনাথে সুধিলে, "প্ৰভু,

মিতালী ভূঞা

আপোনাক যাতে মহে নাকামোৰে তাৰ বাবে আঠুৰা তৰি দিলোঁ। সুনিদ্ৰা তথাপি আপোনাৰ নহ'লনে কি?"

"কেনেকৈহে টোপনিয়াম? মহৰ উপদ্ৰৱত চকু মুদিবই পৰা নাই যে!" সাধুৱে শিৱনাথক ক'লে।

এই কথা শুনি শিৱনাথে ক'লে, "প্ৰভু, আপুনি নজনা একো নাই। এই অঞ্চলত মহৰ উপদ্ৰৱ বৰ বেছি। তদুপৰি এতিয়া জহৰ দিন, জহকালি ইয়াত মহ বৰ বেছিহে হয়। আৰু সেই দেখিহে মই ভালকৈ আঠুৰা তৰি দিছিলোঁ।"

"আঠুৰাৰে কি হ'ব, অতি চালাক সৰু সৰু মহবিলাক আঠুৰাৰ বিন্ধাইদি সোমাই আহি মোক গান শুনাই জলা-কলা কৰি মাৰিলে!" বিৰক্ত হৈ সাধু নিৰ্গুণানন্দই ক'লে।

তেতিয়া গাঁওবুঢ়াই সবিনয়ে ক'লে, "প্ৰভু, অনুমতি দিয়ে যদি কথা এষাৰ নিবেদোঁ। সৰু সৰু মহবিলাকৰ বাবে আপুনি ইমান বিব্ৰত হ'ল! আমাৰ গাঁৱৰ ৰাইজৰ সমস্যাবোৰো সৰু; কিন্তু সিহঁতো সেই সৰু সৰু সমস্যাৰে বিব্ৰত।"

তেতিয়াহে নিৰ্গুণানন্দই গমিলে যে সাধাৰণ মানুহৰ সৰুসুৰা সমস্যালৈ গুৰুত্ব নিদিয়াটো তেওঁৰ ভুল হ'ল। সৰু হওক ডাঙৰ হওক—প্ৰতিটো সমস্যায়েই সমস্যা। আৰু তাৰো সমাধন আৱশ্যক।

সেইদিনা গধূলিতে সাধু নিৰ্গুণানন্দৰ ওচৰলৈ যোৱা ভক্তসৱে তেওঁলোকৰ সৰুসুৰা সমস্যাৰ সমাধান পোৱা হ'ল। কেইদিনমানৰ পাছত, সেইখন গাঁও এৰি আন ঠাইলৈ গুচি যোৱাৰ আগে আগে নিৰ্গুণানন্দই গাঁওবুঢ়া শিৱনাথক ক'লে, "সৰুসুৰা মহৰ কথাৰে তুমি মোৰ যথেষ্ট উপকাৰ কৰিলা। মানুহৰ যিকোনো সমস্যায়েই যে আচলতে ডাঙৰ—সেই কথা মই এতিয়া অনুভৱ কৰিব পৰা হৈছোঁ।"



অগিয়ান-টলকা

নিবাক। নিৰ্বাক আছিল এজন চিকিৎসক। গোটেই জীৱনকাল ধৰি বেজালি কৰি পেট প্ৰৱৰ্তাইছিল নিৰ্বাকে। কিন্তু তাৰ আয়-ব্যয় আছিল সমান। নিৰ্বাকৰ দেউতাক সবাক। সবাকে কৈছিল, "বেজে ধনলৈ খেদিব নাপায়। বেমাৰীক ভালকৈ পৰীক্ষা-নিৰীক্ষা কৰি কেৱল দৰব-পাতি দিলেই নহ'ব, সেই দৰৱে গুণ দিলেনে নাই তাকো চাব লাগিব। তাৰ ফলত বেমাৰীৰো ভাল হ'ব, আৰু তোমাৰো অভিজ্ঞতা বাঢ়িব। কিন্তু—বেমাৰ ভাল কৰাতকৈ বেমাৰীৰ টকা-সিকালৈ তোমাৰ দৃষ্টি অধিককৈ থকাটো মই লক্ষ্য নকৰাকৈ থকা নাই। তাৰ ফলত তোমাৰ কি আয়-উপায়- কি খ্যাতি—একো বঢ়া নাই।"

নিৰ্বাকে তাৰ দেউতাকৰ কথা ইকাণেদি সুমুৱাই সিকাণেদি উলিয়াই দিছিল। বাপৰ কথালৈ ৰাপ তাৰ কোনোদিনেই নাছিল, আজিও নাই, নাথাকিব।

কিছুদিনৰ পাছত নিৰ্বাকৰ ঘৰৰ আগত এটা মগনিয়াৰ মূৰ ঘূৰাই পৰিল। নিৰ্বাকে মগনিয়াৰটোক ঘৰৰ বাৰান্দাত শোৱালে।

বুঢ়া সবাকে ভাবিলে ঃ ভোকৰ পোৰণি সহিব নোৱাৰিহে মগনিয়াৰটো এইদৰে লুটি খাই পৰিল। এই কথা ভাবি, সবাকে মগনিয়াৰটোৰ চকু মুখত পানী ছটিয়াই চেতনা ঘূৰাই আনিলে। চেতনা পাই, মগনিয়াৰটোৱে হাতযোৰ কৰি সবাকক ক'লে, "ঢেৰ কৰিলে মোৰ কাৰণে। আৰু একো কৰিব নালাগে, মই যাওঁৱেই এতিয়া।"

সবাকে তাক ৰখাই ক'লে, "নালাগে

যাব, আমাৰ ঘৰত খাই-বৈ যাবা।”

মগনিয়াৰটোৱে ক'লে, “নহয় দেউতা ইয়ালৈ অহাৰ আগে আগে এগৰাকী দয়ালু মহিলাই মোক পেট পুৰাই খুৱাইছিল। তাৰপৰা অলপ আগতে অহিছোঁ। মোৰ যে কিয় এনেকুৱা হ'ল! পিছে—যেতিয়া বাগৰি পৰোঁ এনেকৈ, আৰু অজ্ঞান হওঁ তেতিয়া মোৰ আশে-কাষে পইচা-পাতিও পৰি থকা দেখা পাওঁ।”

সবাকে অবাক হৈ ক'লে, “তুমি যে মূৰ ঘূৰাই বাগৰি পৰা—তাৰ ঘাই কাৰণ ভোক নহয়নে কি?”

“ন্‌নহয় দেউতা। ইও নিশ্চয় এবিধ বেমাৰেই। মই দিনে চাৰি-পাঁচবাৰকৈ অগিয়ান হৈ যাওঁ। তাৰ ফলত অৱশ্যে ভিক্ষা খোজাত দিগদাৰ হয়। পিছে—ভিক্ষা খুজিলে ভিক্ষা নাপাওঁ মই সিমান, যিমান পাওঁ অগিয়ান হৈ। অগিয়ান হোৱাৰ পাছত মোক বহুতেই পইচা দিয়ে।” মগনিয়াৰটোৱে ক'লে।

সবাকে ক'লে, “তেনেহলে—এই বেমাৰৰপৰা ভাল হৈ উঠাৰ গৰজ তোমাৰ নাই, কি কোৱা? তোমাৰ বেমাৰৰ বিবৰণ কোৱা মোক। মোৰ ল'ৰাটো ভাল বেজ। তোমাক সি ভাল কৰি তুলিব।”

মগনিয়াৰটোৱে অতি নম্ৰতাৰে ক'লে, “মোক ভাল কৰি তোলাটো কোনো বেজৰ কৰ্ম নহয়, দেউতা। বহুতো ডাঙৰ ডাঙৰে ডাক্টৰেও মোক ভাল কৰিব পৰা নাই।”

“ঠিক আছে, তুমি তোমাৰ বেমাৰৰ বা-বাতৰি কোৱা, মই ল'ৰাৰপৰা দৰব আনি খুৱাম তোমাক।” সবাকে ক'লে।

মগনিয়াৰটোৱে মুখ টিপিয়াই হাঁহি মাৰি ক'লে, “দেউতা, দৰব খোৱাত মোৰ একো আপত্তি নাই। নগৰত মূৰ ঘূৰাই পৰোঁ যদি বহুত মানুহ গোট খাব; কিন্তু গাঁৱত মূৰ ঘূৰাই পৰিলে যি দুই-এজন গোট খাবহি, মোক দিয়াৰ সলনি মোৰ জেপত থকা পইচাখিনিয়েই

কিজানি সিহঁতে লৈ গুচি যাব। তথাপি কওঁ, আপুনি যদি মোৰ বেমাৰ ভাল কৰিব পাৰেই, ধৰুৱা হৈ থাকিম।"

"আচল কথা হ'ল—তুমি বেমাৰৰপৰা ভাল হৈ উঠিব খুজিছানে নাই তাকে কোৱা।" সবাকে ক'লে।

"এ—কিনো কয়, মুখুজিম কেলে, দেউতা?" মগনিয়াৰটোৱে ক'লে।

সবাকে তাৰ পুত্ৰ নিৰ্বাকক ক'লেগৈ, "চোৱা, কেতিয়াবা কেতিয়াবা মানুহৰ ৰূপ ধৰি ঈশ্বৰৰ আবিৰ্ভাৱ হয়। তুমি যদি আন্তৰিকতাৰে পৰীক্ষা কৰি মগনিয়াৰটোক সঠিককৈ দৰব দিব পাৰা—তেনেহ'লে তোমাৰ যে মহৎ উপকাৰ হ'ব—সেই কথাত মোৰ সন্দেহ নাই।"

দেউতাকৰ কথাত নিৰ্বাক বিৰক্ত হ'ল; কিন্তু তথাপি মগনিয়াৰটোক পৰীক্ষা কৰাৰ ভাও জুৰি যেইসেই দৰব এটা দি ক'লে, "চাৰিদিনৰ দৰব দিলোঁ। দিনে দুবাৰকৈ খাবা। ভাল হৈ যাব।"

মগনিয়াৰটোৱে নিৰ্বাক আৰু সবাকক প্ৰণাম কৰি গুচি গ'ল।

সবাকে তাৰ পুতেকক ক'লে, "তুমি এই মগনিয়াৰটোক দৰব দিয়াত ঈশ্বৰৰ আশীৰ্বাদ নিশ্চয় পাবা। আৰু তাৰ ফলত তোমাৰ ভাগ্য অৱশ্যেই সুপ্ৰসন্ন হ'ব।"



নিৰ্বাকে ক'লে, "ঈশ্বৰৰ আশীৰ্বাদ মই পামনে নাপাম ক'ব নোৱাৰোঁ। মই তাক আন্দাজে-মুন্দাজে দৰৱ এটা দিলোঁ। তাৰ যদি ভাগ্য ভাল হয়—বেমাৰ ভাল হব, নহ'লে নহ'ব।"

কিন্তু মগনিয়াৰটোৰ ভাগ্য সুপ্ৰসন্ন আছিল। নিৰ্বাক বেজে দিয়া দৰবৰ প্ৰতিক্ৰিয়া তাত ক্ষেত্ৰত ভালেই হ'ল।

এসপ্তাহৰমূৰ কত মগনিয়াৰটো নিৰ্বাকাক সাষ্টাংগে সেৱা কৰি ক'লেহি, "আপোনাৰ দৰবৰ জাদু আছে। মই আজি মগনিয়াৰ হয়, কিন্তু সদায় মগনিয়াৰ হৈ থকা নাছিলোঁ। আগতে শ্ৰম কৰিয়েই পেট



প্ৰৱৰ্তাইছিলোঁ। মোৰ এই বেমাৰ হোৱাৰপৰাহে বাধ্যত পৰি ভিক্ষাত ধৰিছিলোঁ। এতিয়া মই ভাল হৈ উঠিলোঁ, কেতিয়াও আৰু ভিক্ষা নকৰোঁ, আগৰ দৰে শ্ৰম কৰিম।"

নিৰ্বাকে অলপ পৰলৈ ভাবি চাই ক'লে, "মোৰ দৰবে তোমাৰ নিচিনা মানুহৰ ক্ষেত্ৰত গুণ দিয়ে। তোমালোক ভাল হৈ উঠিছা ঠিকেই, কিন্তু তাৰে মোৰ উপাৰ্জন এটকাও বঢ়া নাই।"

মগনিয়াৰটোৱে ক'লে, "আপোনাৰ দৰবৰ গুণত মই ক'বলৈ গ'লে পুনৰ্জীৱন লাভ কৰিলোঁ। মই আপোনাৰ চিকিৎসাৰ দাম দিব নোৱাৰিম। পিছে—আপোনাৰ মনৰ ইচ্ছা পূৰ্ণ হোৱাৰ এটা উপায় দিব পাৰিম।"

এই কথা শুনি বিৰক্ত হৈ নিৰ্বাকে ক'লে, "কেনেকৈ আয়-উপাৰ্জন কৰিব লাগে—এটা বাটৰ ভিকহুৰপৰা মই নিশিকোঁ নহয়? সিমান পতন ঘটা নাই মোৰ এতিয়াও।"

নিৰ্বাকৰ দেউতাক সবাকে ক'লে, "কাৰ মাজত কি আছে কোনে ক'ব। মগনিয়াৰৰ মুখৰ কথাৰ দাম নাই বুলি ভবাৰ কাৰণ নাই। বিশ্বাসেই হ'ল জীৱনৰ ঘাই আলিবাট।"

মগনিয়াৰটোৱে সবিনয়ে নিৰ্বাকক ক'লে "দহমাইলমান দূৰৰ স্মৰণনগৰত শ্বেতগুপ্ত নামৰ এগৰাকী কৌটিপতি আছে। কিন্তু কৌটি কৌটি টকা থকা সত্বেও তেওঁৰ জীৱন যাতনাৰে পূৰ্ণ। মই যি বেমাৰত ভুগি আহিছোঁ, তেৱোঁ সেই একেটা বেমাৰতে শয্যাশায়ী। বহুতো নামকৰা চিকিৎসকে শ্বেতগুপ্তক ভাল কৰি তোলাৰ বহু চেষ্টা কৰিও ব্যৰ্থ হৈছে। অৱশেষত তেওঁ ঘোষণা কৰিছে যে যিজনে তেওঁৰ এই বেমাৰ ভাল কৰি তুলিব, তেওঁ সেইজনক এক লাখ মুদ্ৰা পুৰস্কাৰ দিব। এতিয়া আপুনি মন কৰিলে শ্বেতগুপ্তক ভাল কৰি

তুলি এই এক লাখ মুদ্ৰা পুৰস্কাৰ ল'ব পাৰে।" এই বুলি কৈ, মগনিয়াৰটো তাৰপৰা গুচি গ'ল।

এই কথা শুনি নিৰ্বাক নিবোকা-চামোন হৈ পৰিল। পুতেকৰ মুখখন শেঁতা পৰা দেখি দেউতাকে তাক ক'লে, "দেখিলানে, ধনী-দুখীয়া বিচাৰ নকৰি চিকিৎসা কৰিলে কি হয়? তুমি মানুহক যিমানেই সহায় কৰিবা, ঈশ্বৰেও তোমাক সিমানেই আশীৰ্বাদ দিব।"

নিৰ্বাকে ক্ষীণ মাতেৰে ক'লে, "দেউতা, তোমাৰ কথা সাৰোগত কৰি বেজালি কৰাহেঁতেন ভালেই হ'লহেঁতেন। মই অতি অৱহেলাৰে চাৰি-পাঁচ বিধৰ লতা-পাত-শিপাৰে কিবা এটা কৰি দিছিলোঁ তাক, আৰু তাৰেই যে সি ভাল হৈ উঠিব, কল্পনাও কৰিব পৰা নাছিলোঁ।"

"শ্বেতগুপ্তকো সেইবোৰেৰে দৰব বনাই দিয়া।" দেউতাকে পুতেকক ক'লে।

নিৰ্বাকে নীৰৱে চিন্তা কৰি ক'লে, "তুমি মোৰ সমস্যা ধৰিব পৰা নাই, দেউতা। মই সেই মগনিয়াৰটোক যে কোন চাৰি-পাঁচবিধৰ লতা-পাত-শিপা দিছিলোঁ, মনত পেলাব পৰা নাই। কিন্তু তাক মই নভবা-নিচিন্তাকৈয়েই সেই-বোৰেৰে বুজনি নি বিদায় কৰিছিলোঁ। এতিয়া—আমাৰ ঘৰত কমেও দুহেজাৰ বিধৰ লতা-পাত-শিপা আছে। তাৰপৰা তাৰ মই যে কোন কোন বিধৰ লৈছিলোঁ—এতিয়া ক'ম কেনেকৈ?"

"তোমাৰ যে এই অনুশোচনা হৈছে, ইও ভাল লক্ষণ। পিছে—তোমাৰ ভাগ্য যদি ভাং ভাজি খাবৰ খোলা নোহোৱা হয়—কোনে কি কৰিব?" সবাকে ক'লে।

এই ঘটনাৰ পাছৰপৰা নিৰ্বাক বেজে নিষ্ঠাৰে বেমাৰীক চাই-চিঁতি দৰব-পাতি দিছিল, আৰু এগৰাকী ভাল চিকিৎসক হিচাপে খ্যাতি আৰু ধনো আৰ্জিছিল।



নিংকিনৰ দান

প্ৰাচীনকালত বেৰুট নগত ছুলেহ্মান নামৰ এগৰাকী বৃদ্ধ বাস কৰিছিলি। তেওঁ প্ৰতিদিন তেওঁৰ বিবি আৰু দুই লড়কীয়ে তৈয়াৰ কৰা সূতা হাটলৈ নি বেচিছিল আৰু তাৰে কথমপি পেট প্ৰৱৰ্তাইছিল। বৃদ্ধৰ সাঁচতীয়াৰ ধন বোলোঁতে একো নাছিল। আৰু সেয়েহে, ছাদীৰ উম্ৰ (বয়স) হোৱা সত্বেও, ৰূপৈয়া (ধন) নথকাত লড়কী (ছোৱালী) দুজনীক পাৰ কৰা সম্ভৱ নহ'ল।

এদিন, ছুলেমান অত্যন্ত অসুস্থ হোৱাত হাটলৈ যাব নোৱৰা হ'ল। বুঢ়াৰ সলনি ডাঙৰ ছোৱালীজনী হাটলৈ গ'ল সূতা বেচিবলৈ। তাই যিমান দামত বেচিব বুলি ভাবিছিল, সিমানেই দাম পোৱা হ'ল সিদিনা। আৰু তাই তিনিটা ৰুটি কিনি লৈ ঘৰমুৱা হ'ল।

উভতি আহোঁতে বাটৰ কাষৰীয়া ঘৰ এটাৰপৰা কোনোবা এজনীয়ে কান্দি থকা শুনিলে তাই। তাই ঘৰটোৰ ভিতৰলৈ জুমি চাই দুটি শিশুৰে সৈতে এগৰাকী জেনানাক (মহিলাক) দেখা পালে। জেনানাগৰাকী শুই আছিল। তেওঁ যেনিবা বিছনাৰপৰা উঠি বহিব নোৱাৰিছিল।

ছুলেমানৰ ডাঙৰ লড়কী মেহেৰুন্নিছাই এই জেনানাগৰাকীক সুধিলে, "মাহী, তোমাৰনো কি কষ্ট? কান্দিছা কেলেই?"

"ভোকৰ পোৰণিত, আই। তিনিদিন ধৰি একো খোৱা নাই, আনকি এই কণমানি দুটাকো একো খাবলৈ দিব পৰা নাই।" জেনানাগৰাকীয়ে ক'লে।

"এয়া লোৱা, মোৰ এই ৰুটি তিনিটা

'আৰবদেশৰ দাস্তাঁ' (সাধু)

খোৱাঁ। আজি মই দিলোঁ, পাছত কি খাবা মেহেৰে সুধিলে।

এই ৰুটি তিনিটা খাই এতিয়া জান বচাওঁ, তাৰ পাছত নগৰলৈ যাম। তাত আমাৰ কেইজনমান ৰইছ (ধনিক) আত্মীয়-স্বজন আছে।"

মেহেৰে জেনানাগৰাকীক ৰুটি তিনিটা দিলে আৰু সেই জেনানা আৰু শিশু দুটিয়ে খালে। তাৰ পাছত জেনানা গৰাকীয়ে ক'লে, "আই, তুমি যি কৰিলা, তাৰ তুলনা নাই। যদিও উপকাৰীৰ প্ৰত্যুপকাৰ কৰা উচিত, তথাপি মোৰ ওচৰত তোমাক দিব পৰা একো নাই। কেৱল এই কলহটোহে আছে। এইটোক সাধাৰণ কলহ বুলি নাভাবিবা, আই। তুমি যদি মেহেবানী (দয়া) কৰি কলহটো লোৱাঁ, মই মনত শান্তি লভিম।"

মেহেৰুন্নিছাই কলহটো হাতত লৈ ঘূৰাই-ফিৰাই তলা-ওপৰাকৈ চালে। তাৰ পাছত তাই ক'লে, "সাধাৰণ হওক, অসাধাৰণ হওক, — কলহটো মোক নালাগে। আপুনিয়েই ৰাখি থওক।"

"আই, মই আকৌ কৈছা, কলহটো লৈ যোৱা মেহেৰবানী কৰি।"

অগত্যা মেহেৰুন্নিছাই কলহটো লৈ ঘৰলৈ ঘূৰিল। ঘূৰি আহি ঘটনাটোৰ

কথা তাই তাইৰ মাক-দেউতাকক ক'লে। কিন্তু ৰুটি তিনিটা নথকাত সিহঁত সেই নিশা লঘোনে কটাবলগীয়া হ'ল। পিছে মেহেৰক তাইৰ মাক-দেউতাকে গালি-ছালি নাপাৰিলে ঃ

বৃদ্ধ ছুলেহ্‌মানে জীয়েক মেহেৰক ক'লে, "আই, তই বৰ ভাল কাম কৰিলি। এতিয়া, এই কলহটো বেচিলে কিজানি এটাহে ৰুটি পাম।" বৃদ্ধ ছুলেহ্‌মানে তেওঁৰ সৰুজনী লড়কীক ক'লে, "ঐ জেব্‌উন্নিছা, তাই এই কলহটো বেচি এটা ৰুটি কিনি আনগৈ যা।"

জেব্‌উন্নিছাই কলহটো লৈ হাটলৈ

গ'ল, আৰু কলহটো লৈ এঠাইত বহি থাকিল ; কিন্তু কোনেও কিনাৰ কথা বাদেই কলহটোৰ দাম নুসুধিলে।

তাৰ পাছত. গধূলিলৈ অলপ পৰ থাকোঁতে মাছমৰীয়া মানুহ এজনে তাইক সুধিলেহি, "মোৰ খালৈত মাছ, এটা আছে, সস্তাত দিম. ল'বানে ?"

"মোৰ মাছ কিনিবপৰা পইচা নাই। এই কলহটো বেচিবলৈ বহি আছোঁ মই। মই তোমাৰ মাছৰ সলনি এই কলহটো দিব পাৰোঁ।" জেব্‌উন্নিছাই ক'লে।

মাছমৰীয়াই কলহটো তলা-ওপৰাকৈ চাই, মাছটো দি, কলহটো লৈ গুচি গ'ল।

জেব্‌উন্নিছাই ঘৰলৈ ঘূৰি আহি মাছটো মাকক দিলে। মাকে মাছটোক টুকুৰা কৰাৰ লগে লগে মাছটোৰ পেটৰ-পৰা ডাঙৰ আকাৰৰ মুকুতা এটা ওলাল আৰু সিহঁত অবাক হ'ল।

পাছদিনা, ছুলেহ্‌মানে সেই মুকুতাটো লৈ গ'ল তেওঁৰ এক জহৰী দোস্তৰ ওচৰত। দোস্ত হবিব মিঞাই মুকুতাটো পৰীক্ষা কৰি ক'লে, "ইমান দামী মুকুতা মই জীন্দগিতো দেখা নাছিলোঁ, আজিহে দেখিলোঁ। মই মোৰ সৰ্বস্ব বেচিও এই মুকুতাটো কিনিব নোৱাৰিম। মোৰ এজন দোস্ত আছে, তেৱোঁ জহৰী, তেওঁ ডাঙৰ ৰইছ (ধনিক)। ব'লা তেওঁৰ ওচৰলৈ যাওঁ আমি।" এই বুলি কৈ, ছুলেহ্‌মানক লৈ, হবিবে দোস্তৰ ঘৰলৈ বুলি খোজ ল'লে।

এই মুকুতাটো বেচি ছুলেহ্‌মানৰ দাৰিদ্ৰ্য গুচিল, তেওঁ তেওঁৰ লড়কী দুজনীৰ ছাদী পাতিব পাৰিলে। এদিন ছুলেহ্‌মানে ক'লে, "যিগৰাকী নিঃকিন মাকে আমাক কলহটো দান কৰি ছিল, তেওঁ মিছা কথা কোৱা নাছিল। তেওঁৰ ওচৰত আমি ওৰে জীৱনলৈ ধৰুৱা হৈ থাকিম।" ছুলেমানে আঁঠু কাঢ়ি বহি মোনাজাত কৰিলে।

মনে-পতা ৰজা

সুপ্ৰাচীনকালত কলিংগ আৰু বংগদেশৰ সীমা-খুৰিয়লিত এটা অট্টালিকা আছিল। অট্টালিকাটো দেখাত আছিল এটা দুৰ্গৰ দৰে। অট্টালিকাটোৰ চাৰিওফালে বেঢ়ি থকা প্ৰাচীৰ আছিল অতি ওখ।

এই বিৰাট অট্টালিকাটোত জীৎবৰ্মা নামৰ এজন বলিয়া মানুহ বাস কৰিছিল। জীৎবৰ্মাৰ উপৰিপুৰুষসকল এসময়ত ৰজা আছিল। জীৎবৰ্মাই নিজকো ৰজাৰ দৰেই ভাবিছিল; কৈছিল, "আমাক দেখি প্ৰজাসৱে পাগুা কঁপা দিছিল। আমাৰ এই দুৰ্গ আক্ৰমণ কৰাৰ সাহসো কাৰো নাছিল, এতিয়াও নাই। আনকি অৰ্জুন, বা কৰ্ণৰ দৰে বীৰপুৰুষসকলেও এই দুৰ্গ কেতিয়াও আক্ৰমণ কৰিব নোৱাৰিব।"

জীৎবৰ্মাৰ কথাত সকলোটিয়েই তাৰ আগত ধেমালিতে হয়ভৰ দিছিল। প্ৰতিটো কথা যেনিবা আখৰে আখৰে সঁচা!

সি যে ৰাজবংশৰ এজন, সেই কথাটো প্ৰমাণ কৰাৰ অদম্য ইচ্ছা আছিল জীৎবৰ্মাৰ। সি কেতিয়াবা কেতিয়াবা কিছু-মানক গোটাই-পিঠাই কোনোবা জমিদাৰৰ ঘৰ আক্ৰমণ কৰিবলৈ ওলাই-ছিল। তেতিয়া তাক যুদ্ধ কৰিবলৈ ওলোৱা যেনেই লাগিছিল। তাৰ পাছত, আক্ৰমণৰ অন্তত, এজনী কুকুৰা, বা ছাগলীৰে বীৰৰ দৰে খোজ লৈ গুচি আহিছিল সেই 'যুদ্ধক্ষেত্ৰ'ৰপৰা। এই কথাত জমিদাৰহঁতেও বেয়া নাপাইছিল বা জীৎবৰ্মাৰ প্ৰচণ্ড আক্ৰমণলৈ কোনেও ঘূৰিও চোৱা নাছিল। কেতিয়াবা কুকুৰা বা ছাগলীতকৈ ডাঙৰ কিবা লৈ যোৱাৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

চেষ্টা কৰা হ'লে তেওঁলোকে জীৎবর্মা আৰু তাৰ অনুচৰহঁতক মাৰি-কিলাই খেদি দিছিল। পিটন খাই, উভতি আহি জীৎবর্মাই কৈছিল, "যত্ত কাপুৰুষৰ দল! সিহঁতৰ সাহস থকাহেঁতেন মোৰ বিৰুদ্ধে নিজে আহি যুদ্ধ দিলেহেঁতেন। নিজে নাহি আন মানুহ পঠালে কিয়? মোৰ মান-সন্মান বোলা বস্তু নাইনেকি? যুদ্ধ কৰিব লাগেই যদি, জমিদাৰৰ লগত কৰিম, আল্‌তু-ফাল্‌তুহঁতৰ লগত কিহৰ মাতামাতি কিহৰ হতাহতি?"

জীৎবর্মাৰ পৰিবাৰ আছিল অতি শান্ত স্বভাৱৰ তিৰোতা। তেওঁ যুদ্ধক্ষেত্ৰৰপৰা উলটি অহা অৰ্থাৎ পিটন খাই অহা স্বামীৰ আহত ঠাইবিলাকত দৰৱ লগাই থাকোঁতে কৈছিল, "সিহঁত সঁচাকৈয়েই কাপুৰুষ। নহ'লেনো পিছফালৰপৰা এইদৰে ধুমপিটন দিয়েনে?"

"মোৰ সমুখত থিয় হৈ যুঁজ দিয়াৰ দাঁত সিহঁত কাপুৰুষহঁতৰ এটাৰো আছেনে?" জীৎবর্মাই ঘৈণীয়েকব ক'লে।

এদিন ৰাতিপুৱা এক অদ্ভুত ঘটনা ঘটিল। এজন মানুহে হেঁপাই-ফোঁপাই লৰি আহি জীৎবর্মাক ক'লেহি, "এক বিৰাট সৈন্যবাহিনী আপোনাৰ দুৰ্গৰ ফালে আহিব ধৰিছে।" লগে লগে এডোখৰ ওখ ঠাইত উঠি জীৎবর্মাই চাৰিওফালে চালে। হয়, কলিংগদেশৰপৰা এক বিৰাট সৈন্যবাহিনী সঁচাসঁচিকৈ আহি আছে এই পোনে। এই বাহিনীত ৰথ, হাতী, ঘোঁৰা আদিও আছিল। কমেও বিছ-হাজাৰমান সৈন্য হ'ব।

জীৎবর্মাই তাৰ ভৃত্যহঁতক ক'লে, "আজি আমাৰ বিৰাট আনন্দৰ দিন। কলিংগদেশৰপৰা আমাৰ দুৰ্গ আক্ৰমণ কৰিববলৈ আহিব ধৰিছে। মোৰ ধনু-কাঁড়, যাঠি-জোং, তৰৱাৰি য'ত যি আছে, লৈ আহাঁ। মই এই সৈন্যবাহিনীক সমূলঞ্চে ধ্বংস কৰি, কলিংগৰ ৰজাক



মোৰ তলতীয়া সামন্ত ৰজা পাতিম!"

জীৎবৰ্মাৰ কথাত তাৰ চাকৰ-নাকৰহঁতো পতিয়ন নগ'ল। ইমান ডাঙৰ সৈন্য-বাহিনীয়ে এনে এটা সাধাৰণ অট্টালিকা আক্ৰমণ কৰিবহি কেলেই? আৰু যদি সঁচাসঁচিকৈ আহেই, কৰিবলগীয়া একো নাই। এখনকৈ ইটা প্ৰতিজনে খহাই ল'লেও অট্টালিকাটো আৰু নাথাকিব।

কিন্তু জীৎবৰ্মাৰ কথাত কোনেও পতিয়ন যাওক বা নাযাওকেই, বিৰাট এক সৈন্যবাহিনী সঁচাকৈ আহিল। সেই বাহিনীৰ সেনাপতিয়ে অট্টালিকাৰ প্ৰধান দুৱাৰৰ আগত থিয় হৈ চিংকাৰ কৰি প্ৰশ্ন কৰিলে, "এই দুৰ্গৰ ভিতৰত কোন পৰাক্ৰমী আছে? ওলাই আহাঁ।"

"কোন আক'. মই আছোঁ।" জীৎবৰ্মাই সেনাপতিতকৈয়ো জোৰেৰে ক'লে।

"তেনেহ'লে—এই দুৰ্গটো এতিয়াই মোৰ হাতত সমৰ্পি দিয়ক। নহ'লে আমি দুৰ্গ আক্ৰমণ কৰি অধিকাৰ কৰিবলৈ বাধ্য হ'ম।" কলিংগদেশৰ সেনাপতিয়ে ক'লে।

"মোৰ এই দুৰ্গ অধিকাৰ কৰাৰ ক্ষমতা তোমালোকৰ নহ'ব। মই তোমালোকক এতিয়াই যমপুৰীলৈ পঠাম, ৰ'বা।" এই বুলি কৈয়েই জীৎবৰ্মাই সেনাপতিলৈ টোঁৱাই কাঁড় এৰিলে। কাঁড়টো সেনাপতিৰ গাত তো নালাগিলেই, বহু আঁতৰত পৰিলগৈ। তেতিয়া কিছুমান কলিংগ সৈন্যই জীৎবৰ্মাৰ দুৰ্গলৈ কঁড়িয়ালে। জীৎবৰ্মায়ো তাৰ চাকৰ-নাকৰহঁতক কাঁড় এৰিবলৈ আদেশ দিলে।

এইদৰে, উভয় পক্ষৰ মাজত আধা ঘণ্টা জোৰা কাঁড়যুদ্ধ চলি থাকিল, কোনো-কেও আহত নহ'ল। তাৰ পাছত কলিংগ সৈন্যহঁত গুচি গ'ল। জীৎবৰ্মাই ক'লে, "কাপুৰুষহঁত পলাই সাৰিল!"

কিন্তু কলিংগসৈন্যহঁত গুচি যোৱা নাছিল। সিহঁতে প্ৰতিদিন পুৱা-আবেলি, অলপ পৰলৈ কাঁড় এৰি পুনৰ গুচি গৈছিল।

এইদৰে দহদিন পাৰ হ'ল, আৰু এঘাৰদিনৰ দিনা কলিংগৰ সেনাপতিয়ে জীৎবৰ্মাক ক'লেহি, "জীৎবৰ্মা, আমি পৰাজয় মানি লৈছোঁ। আমি আপোনাৰ লগত সন্ধি কৰাৰ প্ৰাৰ্থনা জনাইছোঁ। সন্ধিপত্ৰ লিখিবলৈ দুৰ্গৰ ভিতৰলৈ যাবলৈ দিবনে দয়া কৰি?"

"এইযাৰ কথা প্ৰথমেই ক'ব পাৰিলেহেঁতেন।" এই বুলি কৈ, জীৎবৰ্মাই কলিংগ-সেনাপতিক অট্টালিকাৰ ভিতৰলৈ লৈ গ'ল।

জীৎবৰ্মাই ক'লে, "হেৰি, এতিয়াৰপৰা কলিংগৰাজে মোৰ তলতীয়া হৈ সামন্ত-ৰজা হিচাপে থাকিবনে?"

"সেই কথা এতিয়াই ক'ব নোৱাৰিম। তাৰ আগতে আপুনি স্বহস্তে লিখি দিয়ক যে কলিংগৰ সৈন্যবাহিনীৰ আধামান সৈন্যক আপুনি মাৰি পেলালে, আৰু আধাৰো আধাক আপুনি বন্দী কৰি কাৰাগাৰত ভৰাই থ'লে।" কলিংগৰ সেনাপতিয়ে জীৎবৰ্মাক ক'লে।

তাৰ পাছত, এই কাগজখিলা কলিংগ সেনাপতিয়ে অন্যান্য বহুতো ৰজাক দেখুৱালেগৈ। কলিংগ-সেনাপতিয়ে এইবোৰ কৰাৰ আঁৰত এটা ডাঙৰ চক্ৰান্ত আছিল। কলিংগদেশৰ সিংহাসন অধিকাৰ কৰাটোহে আছিল সেনাপতি উদ্দেশ্য। বংগদেশ জয় কৰাৰ চেলু লৈ এক বিৰাট সৈন্য-বাহিনীৰে সৈতে যাত্ৰা কৰি বংগ আৰু কলিংগৰ সীমা-মূৰয়লিত থকা জীৎবৰ্মাৰ বিৰুদ্ধে যুদ্ধ কৰাৰ টোটক-নাটক কৰি, বাকী এভাগ সৈন্য লৈ অতৰ্কিতে কলিংগ-ৰাজক আক্ৰমণ কৰি সিংহাসন অধিকাৰ কৰি ল'লে। ইমানবোৰ কথা-কাণ্ডৰ একো-এটাও জীৎবৰ্মাই জনা নাছিল, বুজা নাছিল। জীৎবৰ্মাই আজিও জানে যে কলিংগসেনাই তাক আক্ৰমণ কৰিছিল, আৰু সিহঁতক পৰাজিত কৰি তেওঁ বিতাড়িত কৰিছিল। এই যুদ্ধৰ কোনো সাক্ষী নাছিল।

মৰুভূমিৰ জীৱ-জন্তু

মৰুভূমিত গছ-গছনি নাই, নোপজে। বিয়নে, গছ-গছনি ওপজাৰ আৱহাৱা মৰুভূমিত নাই। কিন্তু এনেহেন মৰুভূমিতো সৰু ডাঙৰ বিভিন্ন ধৰণৰ জীৱ-জন্তু পৰিলক্ষিত হয়। মৰুভূমিৰ প্ৰচণ্ড উত্তাপ, আৰু পানীৰ অভাৱ থকা সত্ত্বেও এই প্ৰাণীসমূহ জীয়াই থাকে। ইমান প্ৰতিকূল অৱস্থাৰ মাজতো এইবোৰ প্ৰাণীয়ে জীয়াই থকাৰ শক্তি তথা মানসিকতা সঞ্চয় কৰিব পাৰে।

আফ্ৰিকাৰ মৰুভূমি অঞ্চলত দেখাত জেঠিৰ নিচিনা এবিধ প্ৰাণী পৰিলক্ষিত হয়। এইবোৰ প্ৰাণীৰ দেহ খহটা, নেগুৰডাল টান আৰু জোঙা, নখ অতি শক্তিশালী। এই নখেৰে সিহঁতে ২ মিটাৰ দ'লৈকে গাঁত খান্দিব পাৰে। জাৰকালি মৰু-অঞ্চলত অতিপাত জাৰ; তেতিয়া এইবোৰ প্ৰাণীয়ে গাঁত খান্দি সেই গঁতৰ ভিতৰত থাকেগৈ। ইহঁতে ইহঁতৰ নেগুৰডালেৰে শক্ৰৰপৰা আত্মৰক্ষা কৰে। সাপ ইহঁত প্ৰিয় খাদ্য। গাঁতৰ ভিতৰত সাপবিলাক যাতে সোমাব নোৱাৰে, তাৰ বাবে ইহঁতে ইহঁতৰ নেগুৰডাল গাঁতৰ দুৱাৰমুখত উলিয়াই থয়।

এই মৰুভূমিৰ অঞ্চলত আন এবিধ প্ৰাণী দেখাত এন্দুৰ আৰু কেংগাৰুৰ সানমিহলি ; এন্দুৰৰ লগতে বেছি মিলে। এই এন্দুৰবোৰ ৰাতিৰ পৰতে চিকাৰলৈ ওলায়, আৰু দিনে-পোহৰে গাঁতৰ ভিতৰত লুকাই থাকে। ইহঁতৰ খাদ্য হ'ল লতা-পাত শুকান শস্যগুটি, আলুগুটি জাতীয় মূল ইত্যাদি। ইহঁতে পানী সমূলি নাখায়। মৰুভূমিৰ অন্যান্য প্ৰাণীৰ তুলনাত ইহঁতৰ শ্ৰৱণশক্তি অধিক। সাপ, কেঁচা আদিয়ে যেতিয়া ইহঁতক ধৰি খাবলৈ আহে, তেতিয়া সেই শব্দ পাই ইহঁত নিৰাপদ ঠাইলৈ গুচি যায়, লুকাই থাকে।

ছাহাৰা মৰুভূমিত জবোৱা গোষ্ঠীৰ এবিধ এন্দুৰ আছে। ইহঁত দেখাত কেংগাৰুৰ দৰে। ইহঁতৰ নেগুৰডাল অধিক দীঘল। ইহঁতে অন্যান্য এন্দুৰৰ তুলনাত অধিককৈ জঁাপ মাৰিব পাৰে, আৰু দৌৰি ফুৰিব পাৰে।

CLARION/B/CP/14/193

AS

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ মে' মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : স্বাধীনৰ উচ্চশিৰ   দ্বিতীয় ফটো : পৰাধীনৰ নত

পুৰস্কাৰ পাওঁতা : শ্ৰীময়ী বৰা   সৌমাৰ বিদ্যাপীঠ   ডিগবৈ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। ৭০-৮০ বাৰ   ২। ১৯৬৭ চনত   ৩। আনুমানিক ১৪০০ কিউবিক ছেণ্টিমিটাৰ
৪। ১২০ দিন   ৫। পেনিছিলিনৰ আৱিষ্কাৰক হিচাপে।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

চিত্তাকর্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ
চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

"অলপ সময় লৈ ভাবি-চিন্তি আজি তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!"– ফেভি ফেইৰী



লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো নহয়
হাত বহি গৈ শেষত হবগৈ
এজন ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, চৰাই, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

জাপানী ফুল ক্ৰিছানথিমাম ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।

জাপানী ফুল ক্ৰিছানথিমাম ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।

নাম: ______________________

বয়স: ______________________

ঠিকনা: ______________________

____

চহৰ: ______________________

ৰাজ্য: ______________ পিন: ________

তোমাৰ মাহেকীয়া জার্নেল ফেভিক্ৰাফট পাওনে? হয়/নহয়

(Ch)

ফেভিকল এম-আৰ

চিন্থেটিক এধেচিভ

উওম বস্তু গঢ়িবলৈ হলে উওম বস্তুৰেই জোৰা দিব লাগে!

® চৰো আৰু ফেভিকল ... পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰা: লি:, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

OBM-7070 ASM

মা জী?
পাৰ্লে-G!
PARLE
Gluco
কিয়নো 'পাৰ্লে-G'?
এতিয়া আপোনাৰ এই প্ৰিয় ভালপোৱা বিস্কুটটো আনন্দেৰে কওঁ 'পাৰ্লে-G'। সচাকৈয়ে 'পাৰ্লে-G' বুলি কৈ ভাল নালাগেনে? কিয়নো আপোনাৰ জীৱন মধুৰময় কৰি তুলিছে পাৰ্লে গ্লুকোৰ গুণে।
জীৱন-সখি—সকলো সময়তে লগ দিয়া গ্লুকো। জীৱন-শক্তি—স্বাদযুক্ত গাখীৰ, ঘেঁহু আৰু চেনি।
জীৱন-স্বাদ—আপোনাৰ পৰিচিত সেই সকলো।
PARLE
Gluco
আনন্দেৰে কওঁ 'পাৰ্লে-G'
জুতিলগা পুষ্টিকৰ আহাৰ।
ভাৰতৰ অত্যাধিক বিক্ৰী হোৱা বিস্কুট।